# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## OCTOBER SESSION

## NO. - 4

**The 11th October, 1993**

**Price— 18.50**

# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## OCTOBER SESSION

## NO. - 4

**The 11th October, 1993**

**Price— 18.50**

# CONTENTS

## OCTOBER SESSION

## NO.— 4

## Dated, the 11th October, 1993


| | | Page |
|---|---|---|
| 1. | Questions And Answers.— | 1—32 |
| 2. | Discussion During Zero Hour— | 32—60 |
| 3. | Report of the Business Advisory Committee— | 60—63 |
| 4. | Call Attention Notice— | 63—74 |
| 5. | Adjournment— | 74—75 |
| 6. | Annexure I— | 76—95 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 11th October, 1993

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

## STARRED

### Questions & Answers

( To which oral replies were Given )

Mr. Speaker : The House is in order. Oral questions from 61 to 80. Written questions from 114 to 163. Deferred oral questions 61, 62, 66, 67, 68, 69, 70, 71, 74, 75, 76, 78, 79 and 80 and Deferred unstarred questions 116, 117, 118, 119, 121, 122, 123, 124, 125, 126, 127, 128, 129, 131, 132, 133, 134, 135, 136, 137, 138, 139, 140, 142, 143, 144, 145, 146, 147, 148, 149, 151, 152, 154, 155, 156, 160, 161 and 163.

( noise, noise ... )

If you so desire, I can adjourn it.

★ শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাত যি বিলাক প্ৰশ্ন কৰা হয় সেই বিলাকৰ উত্তৰ দিব লাগে। ইমান বিলাক প্ৰশ্ন কিয় "ডেফাৰ" কৰা হৈছে ?

★ শ্ৰীদীলিপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, এই ডেফাৰ প্ৰশ্ন বিলাকৰ উত্তৰ আমি ক'ত কেতিয়া পাম ?

---

★ Speech not corrected.

## Questions And Answers

Mr. Speaker : I discussed this matter. There is a report of the Business Advisory Committee and I submitted it.

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আমি যিবিলাক তৰাংকিত প্ৰশ্ন দিছো তাৰ পিচতে কিছুমান তৰাবিহীন প্ৰশ্ন আছে। আমি দিয়া তৰাংকিত প্ৰশ্ন বিলাক প্ৰায়ে তৰাবিহীন কৰি দিয়ে। সেই তৰাবিহীন প্ৰশ্ন বিলাক আজি তৰাংকিত প্ৰশ্ন হিচাবে দিব পাৰিলেহেতেন।

Mr. Speaker : So, we can start. Now Starred Question No. 63. Questioner Shri Sahidul Alam Choudhury.

Re : Misappropriation of Government Money.

Shri Sahidul Alam Choudhury, asked :

★ 63. Will the Minister of Sports & Youth Welfare be pleased to state :

(a) Whether some leading Citizens of Hailakandi including representatives of all Political parties submitted a Memorandum to Deputy Commissioner, Hailakandi on 4th April, 1990 alleging misappropriation of Government money and illegal construction by some persons associated with District Sports Association, Hailakandi ?

(b) Whether any Magisterial enquiry was held on the basis of the allegations made in the Memorandum and what was the result of that enquiry ?

(c) If so. who were persons found guilty by the said Magisterial enquiry ?

(d) What actions were taken against the person found guilty in the Magisterial enquiry ?

---

★ Speech not corrected.

## Questions And Answers

Shri Indra Gogoi ( Minister of State, Sports & Youth Welfare ) replied :

The information is called for from District Sports Officer, Silchar which is not received till to-day. The information will be placed in the floor of House as soon as it is received.

☆ শ্ৰীছহিদুল আলম চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ বিলাক যোগান ধৰাত কেয়াৰলেছ হৈ আছে যাৰ কাৰণে আমি সঠিক উত্তৰ নাপাও। দিশপুৰৰ পৰা শিলচৰলৈ কিমান দূৰ, ৰিপোৰ্ট বিলাক কিয় আনিব পৰা নাই। আমি দেখা পাইছো এই উত্তৰ বিলাকে বিধান সভাৰ লগতে ৰাইজক ফাকী দি আছে।

☆ Sri Silvius Condpan ( Minister ) : Sir, he has brought a very Serious matter, ( Noise, Noise ).

Mr. Speaker : This is a question Hour. You should try to do accordingly. I will expunge all these.

☆ শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে পিচৰ পৰা শ্লীপ আনি আছে বিধান সভাৰ কোনো ডেকোৰাম নাই নেকি ? মন্ত্ৰীয়ে আহোতে ডকুমেণ্ট লৈ আহিব লাগে। পিচৰ পৰা শ্লিপ আনিব নেলাগে। এইটো নিয়ম নহয়। যদি এইটো নিয়ম কৰে মন্ত্ৰীয়ে বহি আছে, কিবা হাউচত কৈ আছে, পিচফালৰ পৰা কিবা লৈ আছে এইটো নিয়ম নহয়।

☆ শ্ৰীইন্দ্ৰ গগৈ ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মোৰ ডকুমেণ্টচ আছে। এতিয়া পোৱা কেইটা পঠাব পৰা নাছিল।

☆ শ্ৰীচিলভিউচ কন্দপান ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী কিবা কথাৰ প্ৰয়োজন হলে তেতিয়া ওৱাৰ্ডচ এণ্ড ওৱাৰ্ডক কলে সেইবোৰ আনি দিব পাৰে। মাননীয় অধ্যক্ষ এতিয়া প্ৰশ্নোত্তৰ কাল, কথা কৈ সময় নষ্ট কৰাটো ঠিক নহয়।

---

☆ Speech not corrected.

☆ শ্রীগৌতম ৰয় ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো নাগতিয়াল প্ৰশ্ন এন. কুৱাৰী ৰিপোৰ্ট দিব লাগে । ( গন্দগোল ) ।

Mr. Speaker : Order, order henceforth all rules and regulations should be followed Mr. Choudhury. Please take your seat.

☆ শ্রীছহিদুল আলম চৌধুৰী : অধ্যক্ষ মহোদয়, হাউচৰ নিয়ম–নীতি নাই নেকি, প্ৰশ্নৰ উত্তৰ বেলেগ বিভাগৰ মন্ত্ৰীয়ে দি আছে । আমি বাইজৰ প্ৰতিনিধি, আমাৰ জনাৰ অধিকাৰ আছে ।

Mr. Speaker : Now Chittendra Nath Mazumder.

☆ শ্রীচিত্তেন্দ্ৰ নাথ মজুমদাৰ : স্যার এটা আমার সমষ্টির ঘটনা । সুতরাং মাননীয় সদস্য যে প্রশ্নের অবতারনা করছেন তাৰ যথাযথ তদন্ত হওয়া দরকার বলে আমি মনে করি । এবং এই তদন্ত মর্মে যথাযথ ব্যবস্থা নেওয়া হবে বলে আমি আশা করি । এটা করা হলে সত্যিকারের ঘটনা আমরা জানতে পারবো ।

☆ শ্রীছহিদুল আলাম চৌধুৰী : অধ্যক্ষ মহোদয়, মই এজন প্ৰশ্নকৰ্তা হিচাবে প্ৰশ্ন কৰিব পাৰো, যি কোনো বিধায়কে নিজৰ সমষ্টিৰ প্ৰশ্ন কৰিব পাৰে । ৰিপোৰ্ট কেলেই অনা নাই, মই এইটো বিচাৰিছো । আপুনি সদায় চাৰপেচ কৰে, লিখিত উত্তৰ নিদিয়ে ।

মাননীয় অধ্যক্ষ : এইটো নহয়, কেইটামান প্ৰশ্ন হৈছে, ইয়াত এক নম্বৰতে শ্রীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই এটা কথা কৈছে, নৰমেলি শুদ্ধ উত্তৰ দিব বিচাৰিলে শ্লীপ দিয়াৰ দুই নম্বৰতে মিঃ চৌধুৰী— Let me speak the concerned Minister will give reply to the question. A member of any constituency may raise question belonging to any constiuency of Assam. So, these are different thing. Let us come to the normal course. Whether there is any supplementary ?

☆ Speech not corrected.

Questions And Answers

★ Shri Indra Gogoi ( Minister ) : Sir, I have already given answer that we have sought for information from the District Sports Officer, Silchar and as soon as it is received I will reply in the floor of the House.

★ শ্ৰীছহিদুল আলম চৌধুৰী ঃ অধ্যক্ষ মহোদয়, এইটো এটা উত্তৰ হ'ল নেকি ? এই উত্তৰ কোনে দিছে ?

★ Shri Indra Gogoi ( Minister ) : Within this session.

Mr. Speaker : Now starred question No. 64. Questioner is absent. Now starred question No. 65. Questioner Sri Borgaram Deuri.

Re : Bihpuria Town Committee.

Shri Borgaram Deuri, asked :

★ 65. Will the Minister of Municipal Administration be pleased to state ?

(a) Whether Bihpuria Town Committee has been formed ?

(b) When the election of aforesaid Town Committee was held for electing Commissioners of wards.

(c) Why the said Town Committee has not been formed till now why ?

Shri Debananda Konwar ( Minister, Municipal Administration ) replied :

(a) No.

(b) Elections to Bihpuria Town Committee was held on 3-7-92.

(c) Steps are being taken by the D. C. North Lakhimpur to hold elections of Chairman & Vice-Chairman

★ Speech not corrected.

of Bihpuria Town Committee. Bihpuria Town Committee could not be formed earlier because of litigation and various orders of the court from time to time.

★ শ্ৰীবৰ্গৰাম দেউৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে লিটিগেশ্বন হোৱাৰ কাৰণে এই টাউন কমিটিখন গঠন কৰিব পৰা নাই। লিটিগেশ্বন কি কাৰণে কৰিব লগা হৈছে, এই কথাটো জনাব নে ?

★ Shri Debananda Konwar ( Minister ) : Sir, there were two writ petitions filed. In the last writ petition, the Hon'ble High Court passed an interim order allowing the Govt. to go for forming the Bihpuria Town Committee with the Chairman and Vice Chairman to be elected from among the elected Members of the Town Committee and according by Govt. have issued instructions to the DC North Lakhimpur to go for election of the Chairman and the Vice Chairman. And, in the earlier writ petition the Hon'ble High Court passed an interim order directing that the status-quo should be maintained.

★ শ্ৰীবৰ্গ বাম দেউৰী : অধ্যক্ষ মহোদয়, মোৰ প্ৰথম প্ৰশ্নৰ উত্তৰ পোৱা নাই, কি কাৰণে লিটিগেশ্বন কৰিব লগা হ'ল ? টাউন কমিটিৰ যি মিউনিচিপাল এক্ট মতে এচ, চি / এচ, টি, বা ও, বিচি, কোনোবাই প্ৰতিনিধিত্ব নকৰিলে তেওঁলোকক দিব পাৰে। ও, বি, চি, ৰ ফালৰ পৰা প্ৰতিনিধি আছে, বাকী সকলৰ পৰাও আছে। এচ, চি, ৰ ইলেক্‌টেড মেম্বাৰ অহা নাই, এচ, চি, ৰ এজন নমিনেটেড কৰি দিব লাগে। ও, বি, চি, থকা স্বত্বেও দুজন দিয়া হৈছে। গতিকে এই কথাটো ইলিগেল কৰা হৈছে। কিয় এইটো কৰা হ'ল জনাব নে ?

★ Speech not corrected.

## Questions And Answers

☆ Shri Debananda Konwar ( Minister ) : Nothing illegality was done. The last case which was fined in the High Court, that was Civil Rule 286 of 1993. in this writ petition the High Court passed an order on 21/9/93 and on the basis of which the State Govt. has now issued direction on 1/10/93 directing the DC to go for election of Chairman and the Vice Chairman. Earlier two writ petitions were filed and interim order was passed in Civil rule 218 of 1992 and Civil rule 1600 of 1993. The delay was caused in view of the interim order passed by the High Court challenging the Govt. notification. Actually, the High Court has quashed the Govt. notification.

☆ শ্ৰীবৰ্গৰাম দেউৰী : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ইলিগেল নাছিল, হাইকোৰ্টে স্কুৱাচ কৰিছিল নে, যদি ইলিগেল নাছিল, ৰিট পিটিচন কেতিয়া কৰিছিল, জনাব নে ?

☆ Shri Debananda Konwar ( Minister ) : Sir, the last order was pssed by the Hon'ble High Court on 21/9/93 and accordingly the Govt. has issued orders on 1/10/93 for the formation of the Town Committee.

☆ Shri Zoii Nath Sarma : Sir, why the Government has taken 10 days time to issue instructions to the DC for the formation of the Town Committee ?

☆ Shri Debananda Konwar ( Minister ) : Because we were to receive the certified copy of the High Court's orders and that was to come from the Govt. Advocate in the

---

☆ Speech not corrected.

High Court

★ Shri Zoii Nath Sarma : Whether it was a fact that it was known to the Govt. that there was no representatives from the Scheduled Caste and Scheduled Tribes Communities in the Town Committee and that the Govt. did not take any interest to nominate the members from those Communities ?

★ Shri Debananda Konwar ( Minister ) : Sir, this is not a fact. When the Govt. issued notification nominating the Members from SC and ST communities, a case was filed challenging the Govt. orders and the High-Court in its turn has set aside the Govt. notification. Sir, the Govt. order is set aside and it was represented that those people are not members of the Scheduled Caste and Scheduled Tribes. But the Honourable High-Court has already set aside and quashed the order and there is no point·······

★ Shri Zoii Nath Sarma : But why should you deprive the Scheduled Caste and Scheduled Tribes·······

★ Shri Debananda Konwar ( Minister ) : There is no question of depriving the Scheduled Caste and Scheduled Tribes·······

Mr. Speaker : As per question, I think you have got the reply.

★ Shri Zoii Nath Sarma : Is it the intention of the Govt. to deprive the Scheduled Caste and Scheduled Tribes ?

★ Speech not corrected.

Mr. Speaker : If there is any loopholes, then of course, you may put specific suggestions otherwise not.

Mr. Speaker : The Minister has given categorical reply to the question The question was whether Bihpuria Town Commission has been formed. When the election of aforesaid Town Committee was held for electing Commissioners of wards ? The replies given to those are specific.

Shri Debananda Konwar ( Minister ) : There is concealment whatsoever. The whole matter of nomination is subjudice now even to-day. The matter of nomination has been challenged in the High Court and therefore the Honourable High Court was pleased give direction for holding the election of Chairman and Vice Chairman ......

Mr. Speaker : Now Question No. 72. Member is absent. So Starred Question No. 73. Questioner Sri Ramendra Narayan Kalita.

বিষয় : পৌৰ নিগমৰ ভুৱা বিল।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

★ ৭৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী পৌৰ নিগমত চৰকাৰ গঠন হোৱাৰ পৰাই বৰ্ত্তমানলৈকে সৰ্ব্বমুঠ কিমান টকা ভুৱা বিল দি টকা আত্মসাৎ কৰিছে, জনাবনে ?

(খ) চৰকাৰ গঠন হোৱাৰ পৰা বৰ্ত্তমানলৈকে, ডাষ্টবিন, তিনিচকীয়া গাড়ী, ঠেলা গাড়ী আৰু কোৰ ক্ৰয় কৰা হৈছে নেকি ? ( প্ৰত্যেক বিধ সামগ্ৰীৰ সংখ্যা আৰু ক্ৰয় কৰা বাবদ খৰচৰ হিচাব দিব )

(গ) এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

## Questions And Answers

(ঘ) ১৯৯২-৯৩ চনৰ সৰ্ব্বমুঠ কিমান টকাৰ "চেক" ৰ অনুমোদন দিছে ? পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে "বনানী এণ্টাৰপ্ৰাইজ আৰু কামৰূপ ইলেকট্ৰনিক এণ্ড ইলেকট্ৰিকেলচ" নামৰ প্ৰতিষ্ঠান দুটাক টকা দিবলৈ নিৰ্দেশ দিয়া হৈছিল নেকি ?

(ঙ) কি ভিত্তিত এই প্ৰতিষ্ঠান দুটাক টকা দিবলৈ নিৰ্দেশ দিছিল, জনাবনে ?

(চ) ফাঁচি বজাৰৰ বহুখলপীয়া বজাৰখনৰ নিৰ্মাণ কাৰ্য্য বৰ্ত্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীদেৱানন্দ কোৱঁৰ ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) এই বিষয়ত পুঙ্খানুপুঙ্খ ভাৱে তদন্ত কৰা আৰু বিধিগত উপযুক্ত ব্যৱস্থা লোৱাৰ বাবে চৰকাৰৰ তদাৰকী আৰু দূৰ্নীতি নিবাৰণ বিভাগক দায়িত্ব দিয়া হৈছে ।

(খ) হয় ।

(গ) ১-৭-৯১ ৰ পৰা ৩০-৯-৯৩ তাৰিখলৈ ক্ৰয় কৰা বস্তুৰ তালিকা আৰু হিচাব :

| | | | | |
|---|---|---|---|---|
| ১। ডাষ্টবিন | : | ৭২৩৪ নম্বৰ— | টকা | ৯৪,২৭,৭৫০·০০ |
| ২। তিনিচকীয়া গাড়ী | : | ৩৫৪৯ নম্বৰ— | টকা | ২৮,৪২,২৫০·০০ |
| ৩। ঠেলাগাড়ী | : | ৩০১৭ নম্বৰ— | টকা | ৭৫,৪১,৬০০·০০ |
| ৪। কোৰ | : | ৪৬৯৬ নম্বৰ— | টকা | ৩,৬৪,৩৯৯·০০ |
| | | মুঠ— | টকা | ২,০১,৭৬,১৯৯·০০ |

(গ) (ক) আৰু (খ) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে ।

(ঘ) সৰ্ব্বমুঠ ১৯,২০,৭৬,৭১০·০৭ টকাৰ চেকৰ অনুমোদন দিয়া হৈছে ।
"বনানী এণ্টাৰপ্ৰাইজ" আৰু "কামৰূপ ইলেকট্ৰনিক্স এণ্ড ইলেকট্ৰিকেলচ" নামৰ প্ৰতিষ্ঠান দুটাক টকা দিবলৈ নিৰ্দেশ দিয়াৰ কোনো তথ্য চৰকাৰৰ হাতত নাই ।

(ঙ) প্ৰশ্ন নুঠে ।

(চ) এই কামটো ঠিকাদাৰে এৰি দিয়াত নতুন নিবিদা ( Tender ) আহ্বান কৰি আটাইতকৈ কম ৰেট (Rate ) দিওঁতা ( Lowest tender ) জনক উক্ত কামটো দিয়াৰ প্ৰস্তুতি চলাই থকা হৈছে ।

## Questions And Answers

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'খ' প্ৰশ্নৰ উত্তৰত হৈছে যে, ডাষ্টবিন, তিনিচকীয়া গাড়ী, ঠেলাগাড়ী, কোৰ আদি কিনাৰ বাবদ প্ৰায় ৩ কোটি টকা খৰছ কৰা হৈছে। অধ্যক্ষ মহোদয়, যিবোৰ সামগ্ৰী গুৱাহাটী পৌৰ নিগমে কিনা বুলি দেখুৱাইছে প্ৰকৃততে সেইবোৰ কিনা হোৱা নাছিল আৰু এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়েও নানা অভিযোগ পাইছে। এতিয়া কথা হ'ল, মন্ত্ৰী মহোদয়ে এইবিলাক তদন্ত কৰাৰ উপৰিও, ইয়াৰ লগত যি কেইজন বিষয়া জড়িত, তেওঁলোকৰ ওপৰত কি ব্যৱস্থা ললে জনাব নেকি ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰি থকা হৈছে আৰু তদন্তৰ প্ৰাৰম্ভিক ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি ইতিমধ্যে পাঁচজন বিষয়াক নিলম্বিত কৰা হৈছে।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো, যিবিলাক বস্তু ক্ৰয় কৰা হৈছিল, সেইবিলাক আছেনে নাই ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইবিলাক বস্তু প্ৰকৃততে চাপ্লাই কৰা হৈছিলেনে নাই, এই গোটেই বিষয়টোৰ ওপৰত তদন্ত কৰি থকা হৈছে আৰু ইতিমধ্যে এই কাৰ্য্য কলাপৰ লগত জড়িত পাঁচজন বিষয়াক ইতিমধ্যে নিলম্বিত কৰা হৈছে।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'চ' প্ৰশ্নৰ উত্তৰত কৈছে যে নতুন নিবিদা আহ্বান কৰা হৈছে আৰু নতুন ঠিকাদাৰক দায়িত্ব দিয়া হ'ব। ফাচি বজাৰৰ যিখন বহুথলপীয়া বজাৰ কৰাৰ কথা আছিল, সেই বিষয়ত যোৱা অধিবেশনতে মন্ত্ৰী মহোদয় এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে, মাৰ্চ মাহৰ আগতে এই বজাৰখনৰ 'গ্ৰাউণ্ড ফ্লৰৰ' কাম সম্পূৰ্ণ কৰা হ'ব। কিন্তু আজিলৈকে এই ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা দেখা নগল। আগৰ ঠিকাদাৰ জনে কাম বন্ধ কৰি দিয়াৰ পিচত নতুনকৈ অন্য ঠিকাদাৰক দায়িত্ব দিব বুলি কৈছিল কিন্তু মাৰ্চৰ পৰা এতিয়া অক্টোবৰ পালেহি এতিয়াও কাম আৰম্ভ হোৱা

---

★ Speech not corrected.

নাই চৰকাৰে এই ক্ষেত্ৰত কিয় গাফিলটি কৰিছে মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, আমি গাফিলতি কৰা নাই। আগৰ যিজন ঠিকাদাৰ আছিল তেওঁ ১১/৪/৯১ এপ্ৰিল তাৰিখে কাম সম্পূৰ্ণ কৰি দিব লাগিছিল। কিন্তু কাম সম্পূৰ্ণ কৰি দিব নোৱাৰিলে। তেওঁলোকে প্ৰায় ৯০ শতাংশ কাম শেষ কৰিলে। সময়মতে কাম শেষ কৰিব নোৱাৰাত আৰু আগৰ ৰেটত কাম কৰিবলৈ অমান্তি হোৱাত পৌৰ নিগমে কামটো বাতিল কৰি ১৫/৯/৯২ তাৰিখে নতুন নিবিদা আহ্বান কৰিছিল। সেই মৰ্মে কম ৰেটত নিবিদা দিওঁটাজনক কামটো দিবলৈ সিদ্ধান্ত কৰা হৈছিল। এতিয়া কামটো শেষ পৰ্য্যায়ত আছে। এই ঠিকাদাৰজনে 'আৰ্নেষ্ট মানিৰ' টকাখিনি দি চুক্তিপত্ৰত চহী কৰিলেই আমি এই কামটো কৰিবলৈ 'ওৱৰ্ক অৰ্ডাৰ দিব পাৰো।

★ শ্ৰীশশ কমল সন্দিকৈ: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰৰ 'ঘ' অংশত "বনানী এণ্টাৰ প্ৰাইজ" আৰু "কামৰূপ ইলেক্ট্ৰনিকচ্ এণ্ড ইলেকট্ৰিকেলচ্" নামৰ যি দুখন ফাৰ্মৰ নাম উল্লেখ কৰিলে। এই ফাৰ্ম দুখনৰ স্বত্বাধিকাৰীৰ নাম আৰু ঠিকনা আমাক মন্ত্ৰী মহোদয়ে জনাবনে?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই তথ্য বৰ্ত্তমান মোৰ হাতত নাই।

★ শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীশশ কমল সন্দিকৈ ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে তথ্য নাই। তেখেতে এই অধিবেশনৰ ভিতৰতে এই তথ্য আমাক জনাব পাৰিব নেকি?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই চেষ্টা কৰিম।

★ শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, 'খ' আৰু 'গ' প্ৰশ্নৰ উত্তৰত কিছুমান সামগ্ৰী ক্ৰয় কৰা বুলি কৈছে, আৰু ইয়াৰে এখন তালিকা পঢ়িও দিছে। গতিকে মন্ত্ৰী মহোদয়ে, আমাৰ সদনৰ দুই তিনিজনমান বিধায়কক, এই ক্ৰয় কৰা বস্তুবোৰ ষ্টকত আছে নে নাই, 'ফিজিকেলি' ভেৰিফাই কৰিবলৈ দিব নেকি?

★ Speech not corrected.

★ শ্ৰীদেৱানন্দ কোঁৱৰ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই বিষয়ে ইতিমধ্যে তদাৰকী বিভাগক তদন্ত কৰিবলৈ দিয়া হৈছেই, গতিকে মই ইয়াৰ আৱশ্যক আছে বুলি নাভাবো।

★ শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, ষ্টক আছেনে নাই আমি মাত্ৰ চাই আহিব বিচাৰিছো। দৰকাৰ হলে আপোনালোকৰ দলৰো দুই তিনিজন সদস্য দিয়ক।

মাননীয় অধ্যক্ষ : মাননীয় মন্ত্ৰীয়ে কৈছেই যে বস্তু চাপ্লাই হৈছেনে নাই তাৰ তদন্ত চলি আছে। গতিকে ষ্টক ভেৰিফাই কৰাৰ ষ্টেজ অহাই নাই।

Shri Zoii Nath Sharma : We would like to physically verify the stocks.

Mr Speaker : Yes, that is the point. There is on supply. One Shri Anjan Sharma has drawn lakhs of rupees without sypplying a single article to the G.M.C. I would, therefore, ask the Minister, MAD as to whether he will allow some of our Members to verify the stock or not.

★ Shri Devananda Konwar ( Minister, MAD ) : In view of the statement I have made just now, the matter is already under investigation by the Vigilance Department and as such I donot see the need for it. Therefore, it will not be done.

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যি কেইজন বিষয়া-কৰ্মচাৰী নিলম্বিত কৰা বুলি কৈছে তাৰ ভিতৰত প্ৰাক্তন আয়ুক্ত আৰু কোনোবা গাণনিক বিষয়াকো গ্ৰেপ্তাৰ কৰাটো সঁচা নেকি ? আৰু বৰ্তমানলৈকে কিমানজনক গ্ৰেপ্তাৰ কৰিছে জনাব নেকি ?

★ Speech not corrected

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মন্ত্ৰী মহোদয়ে যিখিনি সামগ্ৰী কিনা বুলি কলে সেইখিনি কম টকা নহয়। প্ৰায় দুইকোটি মান টকাৰ কেলেংকাৰী হ'ব। গতিকে মাননীয় সদস্য সকলে কোৱাৰ দৰে দুই চাৰিজনমান বিধায়কক দি এইটো তদন্ত কৰা ভাল হ'ব।

মাননীয় অধ্যক্ষ ঃ এইটো ষ্টেজ এতিয়াও অহা নাই।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নিবিদা দিয়াৰ কামটো আৰু বহুখণ্ডপীয়া বিল্ডিংটোৰ কাম কেতিয়ালৈ শেষ কৰা হ'ব ?

☆ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কামটো গিজন স্থানীয় ঠিকাদাৰক দিয়া হৈছে। তেওঁৰ লগত ইতিমধ্যে আৰু কাৰ্য্যবাহী অভিয়ন্তাই যোগাযোগ কৰিছে আৰু তেওঁ চুক্তি-পত্ৰত চহী কৰি 'আৰনেচ' মানিখিনি জমা দিলেই তেওঁক আমি কামটোৰ বাবে নিৰ্দ্দেশ দিব পাৰো। আমি আশা ৰাখিছো এই বছৰৰ ভিতৰতে কাম আৰম্ভ হব পাৰে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পোৱা নাই। কিমানজনক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা হৈছে জনাব লাগে।

☆ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা চাপ্লিমেণ্টৰী কৰিম। আমাৰ মাননীয় সদস্য শ্ৰীশৰ্মা আৰু কলিতা ডাঙৰীয়াই যি 'ভেৰিফাই' কৰাৰ কথা কৈছে এইখিনি কৰাৰ বাবে আপুনি অনুমতি দিব লাগে। অধ্যক্ষ মহোদয়, এই মন্ত্ৰী জনৰ বিৰুদ্ধে তথ্যসহকাৰে আমি বহুতো অভিযোগ আনিছিলো, কিন্তু আপুনি বচাই আছে। অধ্যক্ষ মহোদয়, এই মন্ত্ৰীজনক আপুনি আৰু কিমান বচাই থাকে ?

মাননীয় অধ্যক্ষ ঃ মই একো বচোৱা নাই।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই ফাৰ্ম দুখনৰ নাম ঠিকনা নাজানে যদি টকাখিনি কাক দিলে ? টকাখিনি ৰাস্তাৰ ওপৰত থৈ আহিছে নেকি ? নাম ঠিকনা নজনাকৈ মন্ত্ৰীয়ে পি. এচক টকাৰ ৰিচিপ্ত কৰিবলৈ কেনেকৈ কলে। The intention of the minister

---

❋ Speech not corrected

in this regard is very bad. অধ্যক্ষ মহোদয়, আমি তেওঁক ৰিজাইন দিবলৈ কৈয়ে আছো। তেখেতে ৰিজাইন দিয়াই ভাল হ'ব।
মাননীয় অধ্যক্ষ : এইটো ইতিমধ্যে ৰিপ্লাই দিয়া হৈ গৈছে। The answers given by the Minister is very correct. ( Noise voice. The Minister should resign ) No. this is not the care. I will not allow discussion in the matter any more. Now starred question No. 77. Questioner is Dr. Kamala Kalita.

Re : Misappropriation of Corporations money.

Dr. Kamala Kalita asked :

★ 77. Will the Minister, Municipal Administration be pleased to State :

(a) Total amount of money by way of misappropriation so far detected ?

(b) Name of Officers found to be involed in the misappropriation of Corporation's money and action taken against those officers ?

Shri Debananda Konwar, ( Minister, Municipal Administration ) replied :

(a) The matter is under investigation of Vigilance Department. Total amount misappropriation can be ascertained only after receipt of investigation report from Vigilance Department.

(b) On receipt of preliminary report from Vigilance Department 5 ( Five ) numbers of Officer of Gauhati Municipal Corporation were placed under suspension, Viz.

---

★ Speech not corrected

## Questions And Answers

1. Shri Dhiren Sharma, Sr. Accountant.
2. Shri Ananda Talukdar, Asstt;
3. Shri Siba Prasad Saikia, Nazir.
4. Shri Rabin Deka, Asstt. Nazir.
5. Shri Lohit Deka, Store Keeper.

Further the former Commissioner Shri Bora is also under investigation and has been arrested.

( Opposition Members of A. G. P. were on their legs saying who will suspend the Minister )

★ Dr. Kamala Kalita : May I know from the Hon'ble Minister, MAD whether the case has been referred to CBI or not ?

★ Shri Debananda Konwar ( Hon'ble Minister : Chief Minister has informed in the the House that the matter has been referred to the C. B. I.

★ Dr. Kamala Kalita : If it is referred, when it is referred ?

Shri Debananda Konwar ( Hon'ble Minister ) : That is done by the Hon'ble Chief Minster. Anithing is written to the Govt. of India it is done normally by the Chief Minister. I do not know exactly the date when it was referred to the C. B. I.

★ Shri Chandra Mohan Patowary, : Whether the matter was referred to the C. B. I. with your knowledge ?

★ Shri Debahanda Konwar ( Hon'ble Minister ) : Hon'ble Chife Minister asked me whether it should be referred to the C. B. I. the straight away I told him it should be.

Mr. Speaker, unstarred Questions 114 is not put. Questioner is not present.

Now Unstarred Question. No. 115. Questioner Sri Kali Ranjan Dev.

---

★ Speech not corrected

Re : Incomplete Work.

Shri Kali Ranjan Deb, asked :

114. Will the Minister of Municipal Administration Department be pleased to state :

1. Whether her it is a fact that a complaint petition was submitted by the settlers of the Netaji Path, Odalbakra in Word No. 11, Guwahati to the Commissioner, Guwahati Municipal Corporation with a copy to the Deputy Secretary to the Govt. of Assam. Municipal Administration Department on 22-6-92 against the contractor Shri R. C. Talukdar for incomplete work done of the Netaji Path ?
2. Whether it is also a fact that Municipal Administration Department has forwarded the copy of the complaint petition to the Commissioner, Guwahati Municipal Corporation for necessary action vide Govt. letter No. MA. 311/pt-I/4 dated, 23-10-92 ?
3. If so, what action has been taken by the Commissioner, Guwahati Municipal Corporation on the said complaint petition ?

Shri Devananda Konwar, ( Minister M.A.D. ) replied :

1. Yes.
2. Yes.
3. The damaged portion of the road was repaired and an additional length of 98,00 metres of one sub-lane was also taken up for improvement in the last week of June 1992. as per the complaint.

Shri Kaliranjan Deb : It is no my question, Sir, I do not know how it comes.

Mr Speaker : How it comes I do not know also. Unstarred Question No. 120 Questioner Shri Mohibul Haque.

বিষয় : মিনি ষ্টেডিয়াম

শ্ৰীমহিবুল হকে সুধিছে :

১২০। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গৌৰীপুৰ চহৰত মিনি ষ্টেডিয়াম পতাৰ আঁচনি আছে নে ?

(খ) যদি আছে, কেতিয়া হব ?

(গ) যদি নাই, কি কাৰণত নাই ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানে নাই

(খ) প্ৰশ্ন নুঠে

(গ) মিনি ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি অনগ্ৰসৰ প্ৰতিথন খণ্ড উন্নয়ণ এলেকাক সামৰিহে বৰ্ত্তমানে লোৱা হৈছে । চহৰ এলেকাত মিনি ষ্টেডিয়াম পতাৰ আঁচনি বৰ্ত্তমানে লোৱা নাই ।

★ শ্ৰীমহিবুল হক : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই প্ৰশ্নটোৰ উত্তৰত কৈছে যে চহৰ অঞ্চলত মিনি ষ্টেডিয়াম পতাৰ কাৰণে আঁচনি লোৱা হোৱা নাই । কি কাৰণত এই আঁচনি চহৰ অঞ্চলত লোৱা হোৱা নাই সেইটো জনাবনে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুঃ কঃ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ষ্টেডিয়াম পতা সম্পৰ্কত মাননীয় মুখ্য মন্ত্ৰীৰ সৈতে আলোচনা কৰি এটা সিদ্ধান্ত লোৱা হৈছিল যে প্ৰত্যেকখন জিলা সদৰত এখনকৈ ষ্টেডিয়াম পতা হব আৰু খণ্ড উন্নয়ন পৰ্য্যায়ত এখোনকৈ মিনি ষ্টেডিয়াম পতা হব ।

★ Speech not corrected

## Questions And Answers

সেইমতে আমি যিমান পাৰি সোনকালে এইটো কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছো।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, যিবিলাক মিনি ষ্টেডিয়ামৰ কাম আৰম্ভ কৰি প্ৰথমটো ইনষ্টলমেণ্ট দিয়াৰ পিচত কাম আধৰুৱা হৈ পৰি আছে সেই বিলাক সম্পূৰ্ণ কৰাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

* শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত বেলেগে প্ৰশ্ন দিলে মই উত্তৰ দিব পাৰিম।

★ শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে বৰ্ত্তমানলৈকে অসমত কিমানখন মিনি ষ্টেডিয়াম তৈয়াৰ কৰাৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে. কিমান খনৰ প্ৰথম ইনষ্টলমেণ্ট দিছে, কিমানখন সম্পূৰ্ণ হৈছে আৰু কিমানখন অসম্পূৰ্ণ অৱস্থাত আছে ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইয়াৰ বাবে মোক বেলেগে প্ৰশ্ন দিব লাগিব।

★ শ্ৰী আলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, ধুবুৰীত এটা ষ্টেডিয়াম নিৰ্মাণৰ কাৰণে চৰকাৰে মাটি অধিগ্ৰহণ কৰিছিল। এই অধিগৃহীত মাটিত ষ্টেডিয়াম নিৰ্মাণৰ কিবা কাম আগ বাঢ়িছে নেকি মন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টোত মোক বেলেগে প্ৰশ্ন দিব লাগিব, কিয়নো এই বিষয়ে মোৰ হাতত এতিয়া কোনো তথ্য নাই।

★ শ্ৰীমনছিং ৰংপি : অধ্যক্ষ মহোদয়, এই বছৰ লাংহিন গবৈমাৰীত যিখন ইণ্টাৰ ডিষ্ট্ৰিক্ট জুনিয়ৰ ফুটবল প্ৰতিযোগিতা হৈ আছে সেই খেল পথাৰ খনৰ উন্নয়নৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

★ শ্ৰীইন্দ্ৰ গগৈ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইণ্টাৰ ডিষ্ট্ৰিক্ট ফুটবলৰ বিষয়টো আমাৰ ৰাজ্য চৰকাৰৰ অধীনৰ নহয়। এইটো স্পৰ্টচ অথৰিটি অৱ ইণ্ডিয়াইহে চোৱা চিতা কৰে।

---

* Speech not corrected.

## Questions And Answers

★ শ্ৰীমহিবুল হক : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ (গ) প্ৰশ্নৰ উত্তৰত কৈছে যে মিনি ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি অসমৰ প্ৰতিখন খণ্ড উন্নয়ন এলেকাক সামৰিছে লোৱা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত দেবীতলা আৰু ৰূপসীত মিনি ষ্টেডিয়াম নিৰ্মাণৰ কিবা আঁচনি আছে নেকি ? যদি আছে এইকেইটা কেতিয়া সম্পূৰ্ণ কৰা হব ?

★ শ্ৰীইন্দ্ৰ গগৈ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে প্ৰত্যেকখন উন্নয়ন খণ্ডতে মিনি ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি লোৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা ঠাই কেইখন উন্নয়ন খণ্ডত যদি পৰে তেনেহলে নিশ্চয় তাত তেনে আঁচনি লোৱা হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিকেইটা প্ৰশ্নৰ উত্তৰ চেপাৰেটকৈ কৰিব লাগিব বুলি কৈছে সেইকেইটাত আমাৰ আপত্তি কৰিবলগীয়া একো নাই। কিন্তু চায়তাত মিনি ষ্টেডিয়াম কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ এটা আঁচনি আছে আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ধনো আবণ্টন দিছে। সিদিনা স্পৰ্ট কাউন্সিল মিটিঙত মাননীয় মুখ্য মন্ত্ৰী উপস্থিত আছিল আৰু মইও তাৰ মেম্বাৰ। ম্যেতচিন-গ্ৰাণ্টৰ ইউটিলাইজেচনৰ চাৰ্টিফিকেট আমি প্ৰডিউচ কৰিছো কিন্তু পৰবৰ্ত্তী টকা খিনি ৰিলিজ কৰা নাই। এইটো টকা ৰিলিজ কৰাৰ কাৰণে ব্যৱস্থা চৰকাৰে কৰিবনে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুঃ কল্যাণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো মোৰ দৃষ্টি গোচৰ হোৱা নাই। এতিয়া কথাটো দৃষ্টি গোচৰ হৈছে যেতিয়া নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

★ শ্ৰীনগেন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে ১৯৯৩-৯৪ চনত মিনি ষ্টেডিয়ামৰ কাৰণে কিমান টকা দিছে।

---

★ Speech not corrected.

## Questions And Answers

☆ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো কথা কৈছে তাৰ ওপৰত বেলেগে প্ৰশ্ন আহিলে ভাল হয়।

☆ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ধেমাজি জিলাৰ কাৰণে মিনি ষ্টেডিয়ামৰ কাৰণে কিমান টকা দিছে?

☆ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ধেমাজিৰ কাৰণে ২ লাখ ২০ হেজাৰ টকা দিয়া হৈছে।

☆ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ডিষ্ট্ৰিক্ট স্পৰ্টচ্ অফিচাৰে ১ লাখ টকাহে ৰিলিজ কৰি দিছে বাকী ১ লাখ ২০ হেজাৰ টকা এতিয়াও দিয়া নাই। আজি ৬ মাহ মানৰ আগতে ডিষ্ট্ৰিক্ট স্পৰ্টচ্ অফিচাৰজনক মই ধেমাজিৰ চাৰ্কিট হাউচত লগ পাইছিলো আৰু তেতিয়াই সেইটো অভিযোগ দিছিলো। কিন্তু আজি ৬ মাহৰ পিচতো কিয় সেইটো টকা ৰিলিজ কৰি দিয়া নাই। তাৰ কিবা ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে?

☆ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১ লাখ ২০ হেজাৰ টকা যে ৰিলিজ কৰি দিয়া নাই মই আজি ১৫ দিন মানৰ আগতেহে গম পাইছো।

☆ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে মিনি ষ্টেডিয়ামৰ আঁচনি যি নীতি আছে সেই নীতি অনুসৰি কিমানখন মিনি ষ্টেডিয়ামৰ কাম হাতত লৈছে আৰু কিমান খন বৰ্ত্তমান কৰিবলৈ বাকী আছে?

☆ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় এই প্ৰশ্নটোৰ উত্তৰ মই আগতেই কৈছোৱেই যে ইয়াৰ কাৰণে চেপাৰেট প্ৰশ্ন লাগিব।

☆ শ্ৰীমতী ৰেনুপ্ৰভা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ভেখেতৰ প্ৰশ্নৰ উত্তৰ 'গ'ত কৈছে যে মিনি ষ্টেডিয়াম নিৰ্মাণৰ আঁচনি অসমৰ প্ৰতিখন খণ্ড উন্নয়ন এলেকাত সামৰিহে বৰ্ত্তমানে লোৱা হৈছে।

* Speech not corrected

গতিকে মাননীয় সদস্য কমলা কলিতাই যিটো প্ৰশ্ন কৰিছে তাৰ ওপৰত আৰু বেলেগে প্ৰশ্ন অহাৰ কোনো কথা নাহে তেখেতে আমাক কব লাগে কিমানখন আঁচনি লোৱা হল আৰু কিমানখন আঁচনি বাকী আছে ?

★ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্ন বেলেগে আহিলে ভাল হয়।

★ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো সাধাৰণ প্ৰশ্ন, কিমান ঠাইত মিনি ষ্টেডিয়ামৰ আঁচনি লোৱা হৈছে আৰু কিমানত বাকী আছে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মোৰ 'আনষ্টাৰ্ড' কুৱেশ্বন কাৰণে ইয়াত সবিশেষ দিয়া নাই ।

★ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সবিশেষ দিয়াৰ ব্যৱস্থা কৰিব লাগে ?

★ শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা হব ।

★ শ্ৰীআস্নাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ আঁচনি অনুসৰি যদি অসমৰ প্ৰতিখন খণ্ড উন্নয়নতে মিনি ষ্টেডিয়াম কৰা হয় তেতিয়া হলে আমাৰ ধুবুৰী জিলাৰ আগমনিত কোনো কাম চৰকাৰে কৰা নাই । মই আজি ইয়াৰ জৰিয়তে মন্ত্ৰীসকলক অনুৰোধ কৰিব বিচাৰো যে প্ৰতিটো সমষ্টিলৈ যদি মন্ত্ৰীসকল যায় তেতিয়াহলে বহুতো কামত আহিব ।

★ শ্ৰীইন্দ্ৰ গগৈ ( ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো কথা কৈছে সেইটো সম্পৰ্কত ভালেই পাইছো । আমাৰ স্পৰ্টচ বিভাগত বাজেট নাই । আজি অসমৰ বহুতো কেলিবাৰ থকা ল'ৰা-ছোৱালী আছে সেইবিলাক যদি আমি ভালকৈ টেণ্ট কৰিব পাৰো তেতিয়া হলে অসম, ভাৰত তথা বিশ্বৰ ভিতৰতে স্থান দখল কৰিবলৈ সক্ষম হম । বাকী মাননীয় সদস্য জনে যিটো আগমনিৰ কথা কৈছে সেইটো অনুসন্ধান কৰি মই ব্যৱস্থা লম ।

★ Speech not corrected.

★ শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্ৰীড়া মন্ত্ৰীয়ে কি কি ক্ৰীড়া কৰি পাইছে ?

★ শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ফুটবল, ভলীবল আৰু ক্ৰিকেট খেল কৰি পাইছো।

Mr. Speaker : I would like to draw the attention of the Minister that there should be a proposal for a Mini Stadium. So I will definitely like to see that you have taken up the matter, you shall follow up the matter so that every Block has one Mini Stadium.

Shri Indra Gogoi (Minister of State, Sports) : Sir I will defenitely take up the matter.

Mr. Speaker : So, the question hour is over.

বিষয় ঃ গুৱাহাটী পৌৰ নিগমৰ আৱণ্টিত ধন।

শ্ৰীচিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে ঃ

১৩০। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১–৯২, ১৯৯২-৯৩, চনত গুৱাহাটী পৌৰ নিগমৰ আৱণ্টিত বছৰ অনুসৰি ধনৰ পৰিমাণ কিমান আৰু বিভিন্ন শিতান অনুসৰি আৱণ্টিত ধনৰ পৰিমাণ দেখুৱাব ?

(খ) উক্ত আৱণ্টিত ধন সমূহ কি কি কামৰ বাবদ খৰছ কৰা হ'ল ? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) এইটো কথা সঁচা নেকি যে পৌৰ নিগমৰ কাম কৰাৰ বাবদ বহু সংখ্যক ঠিকাদাৰে এতিয়াও তেওঁলোকৰ পাবলগীয়া ধন পোৱা নাই ?

(ঘ) যদি সঁচা, ঠিকাদাৰসকলে পাবলগীয়া ধনৰ পৰিমাণ কিমান আৰু অতি সোনকালে বাকী থকা ধন নিয়ম অনুসৰি ঠিকাদাৰ সকলক দিয়া ব্যৱস্থা কৰিবনে ?

---

★ Speech not corrected.

## Questions And Answers

শ্ৰীদেৱানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত গুৱাহাটী পৌৰ নিগমৰ আৱণ্টিত বছৰ অনুসৰি ধাৰ্য্য কৰা ধনৰ পৰিমাণ আৰু বিভিন্ন শিতানত আৱণ্টিত ধনৰ পৰিমান এনে ধৰণৰ ঃ

| আৱণ্টিত শিতান | আৱণ্টিত বছৰত ধনৰ পৰিমাণ | |
|---|---|---|
| | ১৯৯১-৯২ | ১৯৯২-৯৩ |
| 1. Ad-hoc General purpose Grant. | ৫৬,৯৭০·০০ | ২,০০,০০০·০০ টকা |
| 2. Cash allowance to Sweepers. | ১.০২,৫২৬·৫০ | |
| 3. P. W. D. Road side Drain. | ৭৩,০০০·০০ | |
| 4. Share of Land Rev. | ৫,০০,০০০·০০ | |
| 5. Under-ground Drain Rehabari. Bani Nagar. | ১৬,৮০,০০০·০০ | |
| 6. Inter-state Bus terminus. | ৫০,০০,০০০·০০ | ৪০,০০,০০০·০০ |
| 7. Communication Grant. | | ৩০,০০০,০০ |
| 8. Non-matric Scholarship to the children of the Un-cleaned Occupants. | | ৫,৬৯,২৫০,০০ |
| 9. Share of M. V. Tax. | ৩,৫০,০০,০০০·০০ | ৩,১০,০০,০০০·০০ |

10. Share of Entestainment tax. ১,৮০,০০,০০০·০০ ১,৯৬,০৬,৮৯৬·০০

মুঠ– ৬,০২,১২,৫১৬·০০ ৫,৫৪,০৬,১৪৬·০০

(খ) ১৯৯১-৯২ বিত্তীয় বছৰত আৱণ্টিত ধন তলত উল্লেখ কৰা মতে খৰছ কৰা হৈছে :

(A) (i) Council personnel, Accounts, Nazarat, Legal Cell, Public Relation etc. ১,০৮,২১,০০০·০০

(ii) Taxes, assessment, trades, market, enforcement, hoarding etc. ১,৩৯,৩১,০০০·০০

(iii) Others, Viz, Water supply, health & sanitation, Garrage, building, parks, Garden, Public Engg, Education etc. ৮,৭০,৯৪,০০০·০৬

মুঠ– ১১,২[illegible],৪৪,০০০·০০

(B) (i) Construction of Market, Bus and Truck parking and other schemes ৯৬,৭১,০০০·০০

(ii) Public utillty services, namely, Development of Roads, Drains, [Beutifiation, Health & sanitation.

| | |
|---|---|
| Water supply etc. | ৪,৬৩,৩৯,০০০.০০ |
| Total— | ৫,৫৯,৭০,০০০.০০ |

Grand Total— ( ১১, ২১, ৪৪,০০০ + ৫,৫৯, ৭০,০০০ )

১৬, ৮১, ১৬, ০০০.০০ টকা।

১৯৯১-৯৩ বিত্তীয় বছৰৰ বাবে আৱণ্টিত ধনৰ খৰছ পাতি সম্বন্ধে কিছুমান বিত্তীয় খেলিমেলিৰ উমান পোৱাত এই বিষয়ে পুংখানুপুংখ ভাৱে চালি জাৰি চোৱাৰ বাবে আৰু সম্পূৰ্ণ হিচাবৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে এজন **Chartered Accountant** ক নিযুক্তি দিয়া হৈছে। সেয়ে সম্পূৰ্ণ হিচাব পৰীক্ষাৰ প্ৰতিবেদন নোপোৱা কাৰণে ১৯৯২-৯৩ চনৰ খৰছৰ হিচাব দিব পৰা নগ'ল।

(গ) গুৱাহাটী পৌৰ নিগমৰ কাম কাজৰ বাবদ বহু সংখ্যক ঠিকাদাৰে পাবলগীয়া ধন আদায় নোপোৱাটো সঁচা।

(ঘ) ঠিকাদাৰ সকলে পাবলগীয়া ধনৰ পৰিমাণ মোটামুটি ভাৱে মুঠ ২ কোটি ৮৬ লাখ টকা। পৌৰ নিগমৰ বিত্তীয় অৱস্থা সুচল হলেই উক্ত ধনখিনি আদায় দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

Re : Ad-hoc Committee.

Shri Karendra Basumatary Asked :

141. Will the Minister of Municipal Administration be pleased to state :

(a) Whether Notification about Ad-hoc Committee for Municipal Administration or Town Committee to be constituted has been made ?

(b) If so, when ?

Shri Debananda Konwar ( Minister, Municipal Administration ) replied :

(a) Notification constituting Ad-hoc Committees for some Municipal Boards and Town Committees have been issued.

(b) Date of issue of such Notifications upto 30-9-93 are as follows :

| | | |
|---|---|---|
| 1. | Barpeta Municipal Board | 25-6-93. |
| 2. | Howly Town Committee | 7-8-93. |
| 3. | Digboi Town Committee | 13-8 93. |
| 4. | Makum Town Committee | 13-8-93 |
| 5. | Bokakhat Town Committee | 16-8-93. |
| 6. | Doom Dooma Town Committee | 16-8-93. |
| 7. | Lumding Town Committee | 16-8-93. |
| 8. | Pathsala Town Committee | 16-8-93. |
| 9. | Bilasipara Town Committee | 25-8-93. |
| 10. | Shapar Town Committee | 26-8-93. |
| 11. | Mariani Town Committee | 27-8-93. |
| 12. | Hojai Municipal Board | 1-9-93. |
| 13. | Lanka Town Committee | 1-9-93. |
| 14. | Dergaon Town Committee | 1-9-93. |
| 15. | Moran Town Committee | 13-9-93. |
| 16. | Udalguri Town Committee | 16-9-93. |
| 17. | Naharkatia Town Committee | 29-9-93. |
| 18. | Bijni Town Committee | 29-9-93. |

Re : Election of Silchar, Municipality.

Shri Kali Ranjan Dev, Asked :

150. Will the Minister of Municipal Administration be pleased to state :

(a) Whether Government have any Contemplation to hold election in Silchar Municipality ;

(b) If so, when ?

( c ) What are the reasons for not holding election and starting democratic process so long in the said Municipality ?

Shri Debananda Konwar ( Minister Municipal Administration ) replied :

( a ) Yes.

( b ) Elections to Silchar Municipal Board will be held as early as possible.

( c ) For bringing about the Changes in the Municipal Acts & Rules as per provisions of the Constitution ( 74th Amendment ) Act.

বিষয় : গুৱাহাটী মিউনিচিপাল কৰ্পোৰেচনৰ নিযুক্তি :

শ্ৰীচিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে :

১৫৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰৰ শাসন কালত বিভিন্ন শ্ৰেণীৰ কিমান বিষয়া ও কৰ্মচাৰী গুৱাহাটী মিউনিসিপাল কৰপোৰেচনত নিযুক্তি দিয়া হৈছে ?

(খ) নিযুক্তি দিয়াৰ আগেয়ে জাননী যোগে আবেদন পত্ৰ বিচৰা হৈছিল নে আৰু সাক্ষাৎকাৰ লোৱা হৈছিল নেকি ?

(গ) যদি হোৱা নাছিল কি পদ্ধতিত বা নিয়ম অনুসৰি নিযুক্তি দিয়া হৈছে, নিযুক্তি দিয়া ব্যক্তিৰ নাম ঠিকনা সহ তালিকা সদনৰ মেজত দাখিল কৰিব ?

শ্ৰীদেৱানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান চৰকাৰৰ শাসন কালত নিযুক্তি দিয়া বিষয়া আৰু কৰ্মচাৰীৰ সংখ্যা তলত দিয়া হ'ল :

১। সহকাৰী অভিযন্তা ১০ জন।

২। সহকাৰী শিক্ষয়ত্ৰী ১ জন।

ইয়াৰ বাহিৰেও দৈনিক হাজিৰা ভিত্তিত ২০৮ জন মজদুৰক কেজুৱেল আৰু মাষ্টাৰ ৰোলত অস্থায়ী ভাৱে নিযুক্তি দিয়া হয় আৰু ৩ মাহৰ পিছত

প্ৰয়োজন সাপেক্ষে পুনৰ ৩ মাহৰ বাবে চাকৰিৰ কাৰ্য্যকাল বৰ্দ্ধিত কৰা হয়। কামৰ প্ৰয়োজন অনুৰি এই সংখ্যা বঢ়া-টুটা হৈ থাকে।

(খ) নাই।

(গ) ওপৰত উল্লেখ কৰা সহকাৰী অভিযন্তা আৰু শিক্ষয়িত্ৰী এই সকল বিষয়াক ১৯৫১ চনৰ অসম লোকসেৱা আয়োগ বিধিৰ ৩ ধাৰাত নিযুক্তি দিয়া হয়। কেজুৱেল আৰু মাষ্টাৰ ৰোলত নিযুক্তি নিম্নলিখিত ভিত্তিত দিয়া হৈছে ঃ

(১) অনুকম্পা ভিত্তিত হৰিজন পৰিয়ালৰ সদস্য, আৰু নিৱনুৱা ভিত্তিত। (বিষয়া আৰু কৰ্মচাৰী সকলৰ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল)

(See the Annexure—I)

বিষয় ঃ পানী যোগান আচঁনিৰ গভীৰ নলী নাদ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

১৫৭। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ আমবাৰী ফটাশিল, ওডালবাক্ৰা, তুৰ্গা সৰোবৰ, গোটানগৰ আৰু শংকৰপুৰৰ পানী যোগান আচঁনিৰ গভীৰ নলী-নাদ কেইটা বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

(খ) এই আচঁনি কেইটা কেতিয়া সম্পূৰ্ণ কৰিব ?

(গ) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত কিমান টকাৰ পি. ভি. চি. পাইপ কিনা হৈছে ?

(ঘ) জু-নাৰেঙ্গীৰ পানী যোগান আচঁনিটোৰ কাম কিমান শতাংশ সম্পূৰ্ণ কৰা হ'ল ?

(ঙ) এই আচঁনিটোৰ বাবে হেঙেৰাবাৰীত যিটো পানীৰ টেংকি কৰা হৈছে, সেই টেংকিটোৰ ওচৰত গাৰ্ড-ৱাল (Guard Wall) ৰ বাবদ কিমান টকা খৰছ কৰা হ'ল জনাবনে ?

শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ

(ক) ১) ফটাশিল আমবাৰীৰ গভীৰ নলী-নাদৰ পৰা বৰ্ত্তমান পানী যোগান ধৰি থকা হৈছে।

২) ওডালবাক্রা আৰু তুৰ্গা সৰোবৰ গভীৰ নলী-নাদৰ কাম সম্পূৰ্ণ প্ৰায়। বিজুলী যোগান পালেই এই নলী-নাদ দুটাৰ পৰা পানী যোগান ধৰিব পৰা হব। বিজুলী সংযোজনৰ বাবে দিব লগীয়া ধন অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক ইতিমধ্যে আদায় দিয়া হৈছে।

৩) গোটানগৰৰ গভীৰ নলী-নাদ বহুৱা কাম সম্পূৰ্ণ হৈছে যদিও জলাধাৰ আৰু পাম্পৰ ঘৰ নিৰ্মাণৰ বাবে চৰকাৰৰ পৰা আৱশ্যকীয় মাটি আৱণ্টন নোপোৱা হেতুকে এই আচঁনিৰ কাম বাধাগ্ৰস্থ হৈ আছে।

৪) শংকৰপুৰ নলী-নাদৰ যাবতীয় সকলো কাম সম্পূৰ্ণ কৰি যোৱা ৬ অক্টোবৰ তাৰিখে এই আচঁনিৰ শুভ উদ্বোধন কৰি এতিয়া সেই অঞ্চলত পানী যোগান ধৰি থকা হৈছে।

(খ) ওপৰৰ ২ আৰু ৩ দফাত উল্লেখ কৰা কামখিনি সম্পূৰ্ণ হলেই গোটা নগৰৰ বাহিৰে বাকী কেইটা অঞ্চলৰ ৰাইজে অতি শীঘ্ৰে পানী যোগান ধৰিব পৰা হ'ব।

(গ) ১৯৯২-৯৩ চনত মুঠ ১ লাখ ২২ হাজাৰ ১৫০/- টকাৰ পি. ভি. চি. পাইপ কিনা হৈছে।

(ঘ) ৫০ শতাংশ কাম সম্পূৰ্ণ হৈছে।

(ঙ) ১৬ লাখ ২২ হাজাৰ টকা খৰছ হৈছে।

## Re : Game of "Chess".

Shri Karendra Basumatary asked :

158. Will the Minister of Sports and Youth Welfare be pleased to state :

(a) Whether it is a fact that particularly in Assam, the Game of Chess which is major international game. has not been yet recognised by the State Government of Assam as a result the youth interested in chess have been deprived in job-employment opportunity under special preference as other sports facilities ?

(b) If not, why ?

(c) Whether Government propose to recognise the Game of Chess.

Shri Indra Gogoi ( Minister of State, Sports & Youth Welfare ) replied :

(a) It is a fact that the Game of "Chess" is not yet Sponsored officially by the Sports & Youth Welfare Deptt ?

(b) Due to financial and physical constraints it is not possible to patronize and encourrage all games simultaneously.

(c) No proposal at present.

বিষয় : ধুবুৰীৰ হৰিজন কল'নী ।

শ্ৰীমহিবুল হকে সুধিছে :

১৫৯। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰীৰ হৰিজন কল'নী দুটা ধুবুৰী চহৰৰ নিৰ্গত ৰখাৰ বাবে চৰকাৰে কিবা চিন্তা কৰিছেনে ?

(খ) যদি কৰিছে, তেন্তে ই কেতিয়া ফলপ্ৰসু হৈ উঠিব ?

শ্ৰীদেৱানন্দ কোঁৱৰ ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান চৰকাৰৰ হাতত তেনে কোনো প্ৰস্তাৱ নাই।

(খ) প্ৰশ্ন নুঠে ।

Re : Develop in Sports

Shri Derhagra Muchahary asked :

163. Will the Minister of Sports and Youth Welfare be pleased to state :

(a) Whether Government has proposed to encourage Boys and Girls to develop in Sports ?

(b) If so, how ?

Shri Indra Gogoi ( Minister of State, Sports and Youth Welfare ) replied :

(a) Yes,

(b) By way of providing Infrastructural facilities, Sports equipments, coaching, organising Tournament in different level, Establish Mini Stadim in Rural areas, providing Scholarship to talented Boys and Girls and limited Financial help for higher Training.

## Discussion During Zero Hour

Mr. Speaker : Now Question Hour is over.

I have received as many as 8 Zero Hour Notices for 11.10.93 in the name of the following Hon'ble Members.

1. Shri Sashakamal Handique
   Shri Chandra Mohan Patowary
   Shri Hitendra Nath Goswami
   Shri Alauddin Sarkar
2. Shri Promod Gogoi and
   Shri Munin Mahanta
3. Shri Ramendra Narayan Kalita
4. Shri Ramendra Narayan Kalita
5. Shri Hiteswar Deka
6. Shri Ramendra Narayan Kalita
7. Shri Renupoma Rajkhowa
8. Shri Hitendra Nath Goswami

Out of 8 Zero Hour Notices, as Rule permits, I have selected 3 for raising before the House.

## Discussion During Zero Hour

I now call upon Hon'ble Member Shri Ramendra Narayan Kalita to raise his Zero Hour Notice which was published in 'Dainik Asom', dated 10.10.93 under the caption "ধুবুৰী চহৰত খোৱা পানীৰ সমস্যা আঁচনি অসম্পূৰ্ণ"।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত শূণ্য কালৰ সময় ছোৱাত মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। সেই বিষটো হৈছে 'ধুবুৰী চহৰত খোৱা পানীৰ সমস্যা আঁচনি অসম্পূৰ্ণ'। আজি অকল ধুবৰী চহৰতে নহয় অসমৰ গোটেইবোৰ চহৰতে জনসাধাৰণে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হব লগীয়া হৈছে। আজি এটোপা বিশুদ্ধ খোৱা পানীৰ বাবে জনসাধাৰণে হাহাকাৰ কৰিব লগা অৱস্থা হৈছে। ধুবুৰীত 'অসম নগৰ পানী যোগান আৰু পয়-প্ৰণালী পৰিষদ' নামৰ এটা বিভাগ আছে। এই বিভাগটোৱে অসমৰ বিভিন্ন চহৰ নগৰত পানী যোগানৰ ক্ষেত্ৰত বিভিন্ন বিত্তীয় অনুষ্ঠানৰ পৰা ঋণ লৈ আঁচনি সম্পূৰ্ণ কৰে। এতিয়া কথাটো হৈছে ধুবুৰী চহৰত ১৬ টা ওৱাৰ্ড আছে। ইয়াৰে কোনো এটা ওৱাৰ্ডতে বিশুদ্ধ খোৱা পানী যোগান ধৰা হোৱা নাই। এই ১৬ টা ওৱাৰ্ডৰ ভিতৰত অতি পুৰণি ধৰণৰ দুটা টেংক আছে। ধুবুৰী চহৰখনত মুঠ ৬ লাখ গেলন পানীৰ প্ৰয়োজন। সেই ৬ লাখ গেলন পানীৰ বিপৰীতে আজি মাত্ৰ ৬০ হাজাৰ গেলন পানী যোগান ধৰা হৈছে। এই ৬০ হাজাৰ গেলন পানীয়ে কেনেকৈ খোৱা পানীৰ সমস্যা সমাধান কৰিব ? সেই কাৰণে অসম নগৰ পানী যোগান আৰু পয়-প্ৰণালী পৰিষদে ১৯৮৮-৮৯ এই আঁচনি লৈ ইয়াৰ দায়িত্ব 'ষ্টীল ইঞ্জিনিয়াৰিং প্ৰাইভেট লিমিটেড'ক দিছিল। এই আঁচনিৰ বাবদ ৪ কোটি ৬২ লাখ ৪৩ হাজাৰ টকা মঞ্জুৰ কৰা হৈছিল। ১৯৮৮-৮৯ চনত যিটো আঁচনিৰ বাবদ ৪ কোটি ৬২ লাখ ৪৩ হাজাৰ টকা মঞ্জুৰ কৰা হৈছিল আজি ১৯৯৩-৯৪ চনত সেইখিনি টকাৰে সম্পূৰ্ণ কৰা সম্ভৱ হবনে ? এই আঁচনি ১৯৯০ চনতে সম্পূৰ্ণ হব লাগিছিল। ইয়াৰ বাবে ১৮ মাহ সময় দিয়া হৈছিল। কিন্তু এই আঁচনি আজিও সম্পূৰ্ণ নহল। পানী

## Discussion During Zero Hour

যোগানৰ বাবে তিনিটা টেংক বহুৱাব লাগিছিল । কিন্তু আজি এই টেংক তিনিটা হোৱা দূৰৰ কথা এটা টেংকৰ আধাহে হৈছে । এটাও সম্পূৰ্ণ হোৱা নাই । এই কামটো যিটো ফাৰ্মক দিছিল সেই ফাৰ্মক ৫৫ লাখ টকা দিব লগা আছে । সেই টকা নেপায় প্ৰতিষ্ঠানটোৱে কাম বন্ধ ৰাখিছে । অসমৰ নগৰ বিলাকত যিবিলাক আঁচনি লোৱা হয় সেই আঁচনি বিলাকৰ বাবে টকা ক'ৰ পৰা বা কোন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা টকা আনিব প্ৰথমে সেইটো চূড়ান্ত সিদ্ধান্ত লোৱাৰ পিছতহে কাম আৰম্ভ কৰিব লাগে । আমি জানিব পৰা মতে ধুবুৰী চহৰত পানী যোগানৰ বাবে হাড্‌কোৰ পৰা টকা লোৱা হৈছিল । এই টকাৰ ৩০ শতাংশ অৰ্থ অসম চৰকাৰে দিব লাগে আৰু ৭০ শতাংশ টকা ঋণ হিচাবে লোৱা হয় । এতিয়া চৰকাৰে অৰ্থ সংকট দেখুৱাই এই আঁচনিৰ বাবে দিব লগা টকা দিব নোৱাৰাত আঁচনি অসম্পূৰ্ণ হৈ আছে । এতিয়া ধুবুৰীত যিখিনি পানী যোগান ধৰি আছে সেই পানী খোৱাৰ একেবাৰে অনুপযোগী । বৰ্ত্তমান যোগান ধৰি থকা পানীত যথেষ্ট পৰিমাণৰ বেক্টেৰীয়া আছে বুলি প্ৰমাণ পোৱা গৈছে । এই কথা জনা বুলি জনাইছে । এতিয়া কথা হ'ল চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ? আজি ধুবুৰী চহৰৰ মানুহে বেক্টেৰীয়াযুক্ত পানী খাব লগা হৈছে । ১৯৭২ চনতে তিনিটা দীপ টিউবৱেল পৰীক্ষামূলক ভাৱে বহুৱাইছিল । কিন্তু কৃতকাৰ্য্য নহ'ল । গতিকে ধুবুৰী চহৰৰ লোকে যে বেক্টেৰীয়াযুক্ত পানী খোৱাৰ অনুপযোগী পানী খাব লগা হৈ আছে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? এই পানী যোগান আঁচনিটো কেতিয়া সম্পূৰ্ণ কৰা হব ? এই বিষয়ে মন্ত্ৰী মহোদয়ে স্পষ্ট ভাৱে জনাব লাগে ।

☆ শ্ৰীধ্ৰুৱ কুমাৰ সেন ঃ অধ্যক্ষ মহোদয়, শ্ৰীকলিতা ডাঙৰীয়াই যিটো কথা কৈছে সেই বিষয়টো আচলতে বৰ দুৰ্ভাগ্যজনক । ১৯৮৫-৮৬ চনত এ জি পি চৰকাৰৰ দিনত যি আঁচনি লৈছিল আজিও সম্পূৰ্ণ হোৱা নাই । ধুবুৰী বাসী লোকে আজি কিয় বিশুদ্ধ পানী খোৱাৰ পৰা বঞ্চিত থাকিব লগা

☆ Speech not corrected.

হৈছে ? কি কাৰণে এই আঁচনি সম্পুৰ্ণ কৰা হোৱা নাই ? আৰু ধুবুৰীৰ ৰাইজে কেতিয়া বিশুদ্ধ পানী খাবলৈ পাব মন্ত্ৰী মহোদয়ে জনাব লাগে ।

**Shri Samarendra Nath Sen :** Mr. Speaker Sir, I would like to draw the attention of the Hon'ble Minister, MAD that more than 50 thousand people are not getting filtered water although they are paying water tax and other taxes to the Municipality. The existing water treatment plants are quite inadequate to meet the needs of the local people. In reply to a question last December, Hon'ble MAD Minister stated that another water treatment plant would be set up in Silchar town taking 70% loan from HUDCO wherein the share of the State Government would be remaining 30 percent but nothing has been done till to-day. I heard that the project report has been prepared but nothing has been done yet. If another Water Treatment Plant is set up in Silchar town, many people of the locality will be benefitted. So, I request the Hon'ble Minister MAD through you to kindly take necessary step to set up another Water Treatment Plant in Silchar town immediately so that the people of the locality do not suffer any longer.

★ Shri Debananda Konwar, ( Minister ' MAD. etc ) : Mr. Speaker, Sir, in respect of the notice vit regard to the Water Supply in Dhubri, I would like to say that under recent Act the responsibility for supplying

---

★ Speech not corrected

drinking water to Urban areas has come to Assam Urban Areas Water Supply Sewearage Board. The Board has no funds whatsoever of their own. The schemes have been taken up and are being implemented from funds and loans made available by HUDCO of a scheme 70% made by HUDCO and 30% by State Government granted and normally paid by the State Government. In respect of the Dhubri Water Supply Scheme it has been submitted to the HUDCO but nothing about loan component of the scheme has so far been received from HUDCO that is why the entire 30% cost of the scheme has to be refunded to the State Govt. it has also not been cleared. Therefore, there is considerable delay in this matter. The matter has been brought to our notice and we are expediting final sanction and as soon as we received Ist instalment from HUDCO the matter will be expedited. Presently what ever water is being supplied to the citizens of Dhubri town this is being supplied by own arrangements of Dhubri Municipalities and not by this project. HUDCO is very critical in respect of giving loans. HUDCO is very critical in respect of one point that is what is the area, what is the population and what is to be supplied with the water and how the Board is going to collect the revenue from the consumers. They also verify all these things. Therefore, they are extremely cautious about all these. We have not yet received anything about the final sanction but hope

to receive within a span of couple of months. As soon as we received the Ist instalment, the implementation of the Scheme will be expedited.

With regard to the Hon'ble Members query about Silchar presently this in being done by Public Health Engineering Deptt. on behalf of Silchar Municipal Administration Board. This Urban Water Supply Swearage Board has taken over the Greater Silchar Area Water Supply Scheme and there is a proposal for taking up the entire Water Supply Scheme which is now being run by Public Health Engineering Department. But this is not accepted by HUDCO. There was a proposal of the Public Health Engineering Deptt. earlier for putting up an additional Water Treatment Plant. The design of that plant was not acceptable to the Consultant of HUDCO. Therefore, a new water treatment plant has been designed by the Board which is being submitted to the Consultants of HUDCO. The Betailed Project Report is being awaited in respect of New Additional Water Treatment Supply in Silchar and as soon as it is received it will be submitted to the HUDCO for scrutiny and sanctioning of the loan.

☆ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮–৮৯ চনৰ স্কীম মতে ফাৰ্মবিলাক সম্পূৰ্ণ কৰিবৰ কাৰণে কিমান টকা দিয়া হৈছে আৰু সেই স্কীমত হাটকোৰ লগত কিবা যোগাযোগ কৰিছে নে আৰু সেইবিলাকৰ

☆ Speech not corrected.

## Discussion During Zero Hour

কাৰণে কিমান টকা খৰছ কৰিছে ? এতিয়া পানী যোগান ধৰি আছে বুলি সেই কথা মন্ত্ৰী মহোদয়ে জানে নে নাজানে ? সেই বিষয়ে কি ব্যৱস্থা লৈছে ?

★ Shri Debananda Konwar ( Minister, MAD, etc. ) : As I have already mentioned that we have received no money from the loan component from the scheme from HUDCO. What ever we have received from Government of Assam is 30%. That is the position. With regard to bacteria of course, I do not know. Water may not be as potable as it should be. I have not received so far any complaint that it is highly bacterial the water supplied by Dhubri Municipal Board. It is the first complaint received from the Hon'ble Member. The matter is being investigated.

**Shri Zoii Nath Sarma : What is bacterial water ?**

★ Shri Debananda Konwar ( Minister, MAD etc. ) : Where there is bacteria in the water is called bacterial water. Both are being executed by HUDCO loan. With regard to the Gouripur Scheme HUDCO assess the progress of the scheme and I think they have released two instalments and with regard to the Goalpara Schemes we will be functioning soon.

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী, গোৱালপাৰা, গৌৰীপুৰ আৰু বৰপেটাৰ কাৰণে স্কীম হাডকো লোৱামতে টকাৰ যোগাযোগ কৰিছেনে নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

★ Shri Debananda Konwar ( Minister for MAD ) : In respect of Goalpara we have a targetted time. We are expecting to commission the Goalpara within this

★ Speech not corrected.

financial year. Barpeta is another targetted area.

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন : ধুবুৰীৰ কাৰণে কিবা যোগাযোগ কৰিছিলে নেকি ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ ( মন্ত্ৰী ) : যোগাযোগ কৰি থকা হৈছে। কেইমাহ মানৰ ভিতৰতে প্ৰথম কিস্তি পোৱা হব বুলি আশা কৰা হৈছে।

★ শ্ৰীধ্ৰুৱ কুমাৰ সেন : বৰপেটাত প্ৰথম কিস্তি পাইছে নেকি ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ ( মন্ত্ৰী ) : বৰপেটাত আংশিক ভাবে মাৰ্চ মাহৰ ভিতৰতে কমিচন পাব পৰা হব বুলি আশা কৰা হৈছে।

★ শ্ৰীজয়নাথ শৰ্মা : মঙ্গলদৈত পাইছে নেকি ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ ( মন্ত্ৰী ) : মঙ্গলদৈত কেইদিন মানৰ ভিতৰত চেংচন হব।

★ শ্ৰীবদন বৰুৱা : আমি যি পানী খাওঁ সেইটো বিশুদ্ধ হব লাগে নে নিৰাপদ হব লাগে ? দ্বিতীয় কথা হ'ল পানীত বেক্‌টেৰীয়া থাকিলে সেই পানী খোৱাৰ উপযোগী নহয়। মই জনাত খোৱা পানীত বেক্‌টেৰীয়া থাকিব পাৰে যদি সেই পানী নিৰাপদ হয়। গতিকে এই সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ে এটা স্পষ্টীকৰণ দিব লাগে।

★ Shri Zoii Nath Sarma : In respect of Sewarage Board and Urban Water Supply you can take advice from the Doctor members of the House.

★ Shri Hitendra Nath Goswami : The Urban Water supply is vested with the Sewearage Board. That Board is not willing to fund the State Government with their 7% finance. As the State Government is not coming forward to finance its implementation with their 30% of money, the HUDCO is also not reloasing their money. At Jorhat also the HUDCO is not releasing their money

★ Speech not corrected.

of 70% when the Government share of 30% is not readily forthcoming.

★ Shri Debananda Konwar ( Minister, MAD ) : The question is that the Government has not been able to pay the 30% in full. In respect of the amount from HUDCO, it is willing to advance the money in promptness. It is not that it not willing to release its money. in Jorhat out of the seven areas, this scheme has covered 3 areas. We will be commissioning these three within this financial year, i .e upto March, 94. Progress has been made very satisfactorily within the last couple of months in this respect. We are targetting to complete these within this financial year. We have to pay the interest to HUDCO which is much heavy. So after examing the entire seheme we have to release the money.

★ শ্ৰীজয় নাথ শৰ্মা : এইটো মন কৰিব লগীয়া কথা যে চেৱাৰেজ বোৰ্ডৰ নামত দুই তিনি বছৰ ধৰি হাউচিং বোৰ্ডে টকা খৰচ নকৰি কোনোবা এটা বেংকত এই বিৰাত সংখ্যক টকা ৰাখিছিল। তাৰ বিনিময়ত কিবা এটা কমিচন লৈ আছিল। এইটো খবৰ আপোনাৰ হাতত আছে নে নাই। যদি নাই ইতিমধ্যে এইটো খবৰ কৰিব লাগে। এই বিৰাট বেংকৰ নামত যিমান টকা ৰাখিছে তাৰে এটা কমিচন ষ্টেটবেংকেও পাই আছিল। টকা খৰচ নকৰাকৈ কমিচন লৈ থকা কথাটো অতি সোনকালে তদন্ত কৰিবনে?

★ Shri Debananda Konwar (Minister, MAD) : Hudco loan against schemes. Whether it is kept in this Bank of that Bank it is not a matter of importance. It is kept in deposit. I can assure the Hon'ble Members.

★ Speech not corrected.

## Discussion During Zero Hour

**Mr. Speaker :** Now Hon'ble Member Shri Pramode Gogoi and Shri Munin Mahanta will speak on Zero Hour notices.

☆ শ্ৰীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি বাতৰি কাকতত প্ৰকাশিত "আজিৰ পৰা ৭২ ঘণ্টা ৰিক্সা বন্ধ" এই শীৰ্ষক বাতৰিটো উত্থাপন কৰি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, বৃহত্তৰ গুৱাহাটীৰ ৩০ হেজাৰৰো অধিক ৰিক্সা চালক আছে। এই ৰিক্সা চালক সকলৰ ওপৰত গুৱাহাটী মিউনিচিপাল কৰ্পোৰেচনে নতুন অনুজ্ঞাপত্ৰ দিয়া সম্পৰ্কে নানা জুৰ-জুলুম আৰম্ভ কৰিছে। এই বিষয়টো লৈ ৰিক্সা চালক সকলৰ ওপৰত পুলিচে যি অত্যাচাৰ আৰম্ভ কৰিছে, তাৰ প্ৰতিবাদত ৭২ ঘণ্টা জুৰি এই ধৰ্মঘত আহ্বান জনাইছে। যোৱা আগষ্ট মাহৰ শেষত গুৱাহাটী পৌৰ নিগমে অনুজ্ঞাপত্ৰ পৰীক্ষা কৰাৰ নামত ৰিক্সা চালক সকলৰ ওপৰত জুৰ-জুলুম অত্যাচাৰ কৰাৰ কাৰণে ৰিক্সা চালক সকলৰ যি ইউনিয়ন আছে তাৰ নেতৃত্বত এই ধৰ্মঘত আৰম্ভ কৰিছে। যোৱা ২৩-৮-৯৩ তাৰিখে ইউনিয়নৰ নেতৃবৰ্গই চৰকাৰৰ লগত যি আলোচনা হৈছিল সেই আলোচনাৰ ভিত্তিত ১৫ দিনৰ কাৰণে ৰিক্সা চলোৱা বন্ধ কৰি চেকিং কৰি অনুজ্ঞাপত্ৰ নবীকৰণ কৰাৰ কাৰণে দায়িত্ব দিছিল। অনুজ্ঞাপত্ৰ নবীকৰণ কৰোতে পুলিচৰ হস্তক্ষেপৰ কোনো প্ৰয়োজন নাই বুলিও আলোচনা হৈছিল আৰু অনুজ্ঞাপত্ৰ নবীকৰণৰ বাবে সকলো ধৰণৰ ফিজ আদি জমা দিয়াৰ ব্যৱস্থাও কৰা হব। ফিজ আদি দিয়াৰ কাম সম্পূৰ্ণ হলেহে নতুন অনুজ্ঞাপত্ৰ দিয়াৰ কাম আৰম্ভ হব বুলিও আলোচনা হৈছিল। কিন্তু সেইমতে নহ'ল। ২৪ তাৰিখৰ পৰা নতুন লাইচেন্স দিয়াৰ ক্ষেত্ৰত মিউনিচিপালিটি কৰ্পোৰেচনে আকৌ কলে যে চেপ্তেম্বৰ মাহৰ পৰা ৰিক্সা চালক সকলক মেডিকেল পৰীক্ষা কৰা হব আৰু পুলিচ ভেৰীফিকেচন কৰা হব। এইবোৰ সম্পূৰ্ণ হলেহে নতুন অনুজ্ঞাপত্ৰ দিয়া হব বুলি ঘোষণা কৰিলে। কিন্তু ২৩ তাৰিখৰ আলোচনাত মিউনিচিপাল কৰ্পোৰেচনে

★ Speech not corrected.

## Discussion During Zero Hour

তেওঁলোকৰ পুৰ্বৰ আলোচনাৰ ভিত্তি ভঙ্গ কৰি আকৌ পি, আৰ, চি, লাগিব বুলি ঘোষণা কৰিলে। এতিয়া আমাৰ প্ৰশ্ন হ'ল পুলিচ ভেৰীফিকেচন ৰিপোর্ট'ৰ ওপৰত ভিত্তি কৰি অনুজ্ঞাপত্ৰ দিবলৈ আলোচনাৰ সময়ত কোনো বিৰোধীতা কৰা নাছিল। কিন্তু নতুন অনুজ্ঞাপত্ৰ পাবৰ কাৰণে পুনৰ পি, আৰ, চি প্ৰয়োজন হ'ল। মিউনিচিপাল কৰ্পোৰেচনত ১৫ বছৰ ধৰি যি জনে ৰিক্সা চলালে তাৰ বাবে পি, আৰ, চি কিয় প্ৰয়োজন হ ল ?

মাননীয় অধ্যক্ষ মহোদয়, এই গৰীব ৰিক্সাৱালা সকলে তেওঁলোকৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰৰ প্ৰতিবাদ জনাই ৭২ ঘণ্টা ধৰ্মঘটৰ কাৰ্য্য-সূচী হাতত লৈছে। কিন্তু তেওঁলোকে ভালকৈ জানে যে যদি তেওঁলোকে ৰিক্সা নচলায় তেতিয়াহলে তেওঁলোকে দৈনিক যিটো উপাৰ্জন কৰে তাৰ পৰা বঞ্চিত হ্ব আৰু এসাজ লঘোণ দিব লাগিব। তথাপিতো কিয় ইমান যাতনা ভুঞ্জিয়ো তেখেত সকলে ধৰ্মঘট কৰিছে, গতিকে বিষয়টো গভীৰ ভাবে চাব লগীয়া। এই গুৰুত্বপূৰ্ণ বিষয়টো অনুধাৱন কৰি মিউনিচিপালিটিৰ কতৃপক্ষ আৰু ৰিক্সাৱালা সন্থাৰ বিষয় ববীয়াৰ লগত আলোচনা কৰি জলন্ত সমস্যাটি সমাধানৰ ক্ষেত্ৰত কি ব্যৱস্থা লব বিচাৰিছে সেই সম্পৰ্কে মাননীয় বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। জানিব পৰামতে তেওঁলোকে ধৰ্মঘট আৰম্ভ কৰাৰ আগতে মিউনিচিপালিটি কতৃপক্ষক আবেদন কৰিছিল। কিন্তু মিউনিচিপালিটি অথোৰিটিয়ে তেওঁলোকৰ স্বত্ব বিলাকৰ ক্ষেত্ৰত ৰাজী নহ'ল, ফলত তেওঁলোকে ধৰ্মঘট কাৰ্য্যসূচীত নামিব লগা হ'ল। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ যাতে মিউনিচিপালিটি কতৃপক্ষ আৰু ৰিক্সাৱালা সন্থাৰ মাজৰ কথাবিলাক আলোচনা কৰি এই ধৰ্মঘট বন্ধ কৰি এই গৰীব ৰিক্সাৱালা সকলক বিপদৰ পৰা ৰক্ষা কৰি জনগণক অশান্তিময় জীৱনৰ পৰা ৰক্ষা কৰে, এইখিনিকে বক্তব্য ৰাখি সামৰণি মাৰিলো।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মহন্ত ডাঙৰীয়াই ৰিক্সাৱালা সকলে কৰা ধৰ্মঘটৰ বিষয়ে আলোচনা কৰি যিখিনি

---

☆ Speech not corrected.

## Discussion During Zero Hour

কথা কৈছে সেই সম্পৰ্কত মিউনিচিপালিটি কৰ্তৃপক্ষ আৰু ৰিক্সাৱালা সন্থাৰ লগত স্বৰ্ত সাপেক্ষে যিবিলাক চুক্তি কৰিছিল সেই বিষয়ে বৰ্তমান মোৰ হাতত সবিশেষ তথ্য নাই। অৱশ্যে মাননীয় সদস্য গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে সেই মতে মিউনিচিপালিটি কৰ্তৃপক্ষ আৰু ৰিক্সাৱালা সন্থাৰ বিষয় ববীয়া সকলৰ লগত কি চুক্তি হৈছিল সেই বিষয়ে আলোচনা কৰি কেনেদৰে এই সমস্যা সমাধান কৰিব পাৰি তালৈ লক্ষ্য ৰাখি পৰামৰ্শখিনি গ্ৰহণ কৰিছো আৰু সেই মৰ্মে কাম কৰিবলৈ যত্ন কৰিম।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, মিউনিচিপাল কৰ্তৃপক্ষই স্বীকাৰ কৰিছে যে পি, আৰ, চি পাবৰ কাৰণে তেওঁলোকে দৰ্খাস্ত দিছে। কিন্তু আজি ১৫ বছৰ কাল পাৰ হ'ল তেওঁলোকক পি, আৰ, চি দিয়া নাই। এইটো কেৱল গুৱাহাটীৰ কথা নহয় এই অনুজ্ঞাপত্ৰ দিয়াৰ বেলিকা পি আৰ, চি গোটেই অসমতে মিউনিচিপালিটি কৰ্তৃপক্ষই গ্ৰহণ কৰিব আৰু ৰিক্সাৱালা সকলৰ সমস্যা বিলাক দূৰ কৰিব।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : বোৰ্ড বিলাকে এই কাম বিলাক অৱশ্যে কৰিব পাৰে, সেইটো বিবেচনা কৰি চোৱা হ'ব।

★ শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত এতিয়া পি, আৰ, চি ইচু কৰা বন্ধ হৈ আছে। কেৱল হায়াৰ ইডুকেশ্যন লবলৈ আগবঢ়া সকলৰ কাৰণেহে পি, আৰ, চি খোলা আছে। যদি সেইটোৱেই হয় তেতিয়াহলে পি, আৰ, চিৰ ওপৰত নিৰ্ভৰ কৰি অনুজ্ঞাপত্ৰ দিয়াটো বন্ধ কৰক, ৰিক্সাৱালা সকলে যাতে পি, আৰ, চি পোৱালৈকে অনুজ্ঞাপত্ৰ পাই তাৰ কাৰণে ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) : বিবেচনা কৰি চোৱা হ'ব।

Mr. peaker : I now call upon Shri Hitendra Nath Goswami to raise his matter on Tea Auction centre at Ahmedabad.

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, বাতৰি-কাকতত এটা প্ৰস্তাৱৰ কথা প্ৰকাশ পাইছে সেই মতে গুৱাহাটীত চলি থকা চাহ নিলাম

---

★ Speech not corrected

## Discussion During Zero Hour

কেন্দ্ৰটো গুজৰাটলৈ নিয়াৰ কথা প্ৰকাশ পাইছে, এই বাতৰিটোৰ সম্পৰ্কত মই মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে সেই বিষয়ে জানিব বিচাৰিছো। গুৱাহাটীত অৱস্থিত এই চাহ নিলাম ক্ষেত্ৰটো যদি গুৱাহাটীৰ পৰা গুজৰাটৰলৈ স্থানান্তৰ কৰা হয় তেতিয়াহলে অসমৰ উৎপাদিত চাহৰ ওপৰত ভিত্তিকৰি যি ব্যৱসায় আমাৰ ইয়াত চলি আছে সেইটো আমাৰ হাতৰ পৰা গুচি যাব আৰু সকলো ধৰণৰ আনুসঙ্গিক ব্যৱসায় গুজৰাটলৈ গুচি যাব আৰু তাৰ ফলত আমাৰ কিছুমান ব্যৱসায়ী বেয়া ধৰণে এফেক্টেড হ'ব। তাৰোপৰি যিসকল লোক প্ৰত্যক্ষভাৱে চাহ আৰু চাহৰ ব্যৱসায়ৰ লগত জৰিত হৈ আছে তেওঁলোকৰ যথেষ্ট ক্ষতি হব আৰু নীলাম কেন্দ্ৰত চাকৰিয়াল সকলৰ চাকৰি শেষ হৈ যাব। তাৰোপৰি আমাৰ ইয়াত যিসকল উদ্যোগী লোকে চাহৰ লগত আৰু চাহৰ ব্যৱসায়ৰ লগত জৰিত থাকি বিভিন্ন ধৰণৰ চেল্ফ-হেল্প আঁচনিত উপকৃত হৈছিল সেই খিনিও তেওঁলোকে হেৰুৱাই পেলাব লাগিব। এই সংক্ৰান্তত কাকতত উল্লেখ কৰা মতে অসমত আইন শৃংখলা ব্যাহত হোৱাৰ অজুহাত দেখুৱাই অসমৰ পৰা এই চাহ-নিলাম কেন্দ্ৰটো গুজৰাটলৈ নিয়াৰ বাবে এক শ্ৰেণীৰ লোকে অপচেষ্টা চলাইছে। যি সময়ত অসমৰ চাহৰ বাহিৰত চাহিদা বহু পৰিমাণে বৃদ্ধি হৈছে সেই সময়ত শান্তি আৰু আইন শৃংখলা ব্যাহত হোৱা নামত গুৱাহাটীৰ পৰা যদি চাহ-নিলাম কেন্দ্ৰটো উঠাই নিয়া হয় তেতিয়া হলে আমাৰ অসমৰ ইকোনমিত এটা ডাঙৰ মাধমাৰ শোধোৱা হব। গতিকে এই যে চাহনিলাম কেন্দ্ৰটো গুৱাহাটীৰ পৰা উঠাই নিয়াৰ ষড়যন্ত্ৰ কৰিছে সেই ক্ষেত্ৰত প্ৰকৃততেই আইন শৃংখলা প্ৰশ্নটো ইয়াত আহি পৰিছে নেকি আৰু সেই বিষয়ে চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নেকি ? বিষয়টো পৰীক্ষা কৰি চাব লাগে। এই সম্পৰ্কত চৰকাৰে যিসকল চাহনিলাম কেন্দ্ৰত ব্ৰোকাৰ আছে তেওঁলোকৰ লগত কিবা আলোচনা কৰিছে নেকি ? তেওঁলোকে কিবা চিকিউৰিটি বিচাৰিছেনেকি বা মোৰ ইনছেনটিভ তেওঁলোকৰ বাবে প্ৰয়োজন হৈছে নেকি ? ইনছেনটিভ কম হোৱাৰ কাৰণে তেওঁলোকে যাব বিচাৰিছে নেকি ? মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে

## Discussion During Zero Hour

অসমত উৎপাদিত চাহৰ পৰা গছৰ বেনিফিট যাতে অসমে পাই সেইটো চাব লাগে আৰু এই সম্পৰ্কত সকলো তথ্যপাতি খৰচি মাৰি অধ্যয়ন কৰাত নিজকে কনচেনট্ৰেট কৰিব লাগে। গুৱাহাটীত চাহ নীলাম কেন্দ্ৰ যিটো আছে সেইটো গুজৰাটলৈ উঠাই নিয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ইয়াৰ বিপৰীতে কি ষ্টেপ লৈছে সেই বিষয়ে আৰু চাহ-নীলাম কেন্দ্ৰটো যাতে উঠি যাব নোৱাৰে তাৰ কি ব্যৱস্থা লৈছে আমাক জনাব লাগে? অসমৰ শতকৰা ৮৫ ভাগ চাহ পশ্চিম ভাৰতৰ ৰাজ্য সমূহলৈ ৰপ্তানী হয়। কিন্তু এতিয়া গুৱাহাটীৰ পৰা এই চাহ-নীলাম কেন্দ্ৰটো বাহিৰলৈ লৈ যোৱাৰ যি ষড়যন্ত্ৰ চলিছে তাৰ দ্বাৰা অসমৰ চাহ-নীলাম কেন্দ্ৰটো মৰিমুৰ কৰা হ'ব, কাৰণ পশ্চিম ভাৰতৰ ৰাজ্য সমূহে আহমেদাবাদৰ নীলাম-কেন্দ্ৰত অসমৰ চাহৰ বাবে ভীৰ কৰিব, গুৱাহাটীৰ নীলাম বজাৰখনত চাহৰ চাহিদা উক্ত ৰাজ্য সমূহৰ পৰা কমি যাব।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : চাৰ, শ্ৰীগোস্বামী উাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে এই বিষয়টো গুৰুত্বপূৰ্ণ বিষয়। মই স্পষ্টভাৱে জানিব বিচাৰিছো এই কথাটো সঁচা হয় নে নহয়? যদি সত্য তেন্তে এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিভঙ্গী কি আৰু কি কি ব্যৱস্থা লব? অসমৰ চাহ-নীলাম কেন্দ্ৰটো পুৰ্ণ পৰ্য্যায়ৰ কেন্দ্ৰলৈ উন্নীত কৰিবৰ কাৰণে আমি বহুদিনৰ পৰাই দাবীকৰি আহিছো। কাৰণ এই চাহ-নীলাম কেন্দ্ৰৰ লগত অসমৰ অৰ্থনীতি, নিবনুৱা সমস্যা আৰু পৃথিবীৰ বিদেশী দেশ সমূহৰ পৰা আহি অসমৰ চাহ শিল্পৰ উন্নীত কৰণৰ কথা জড়িত আছে। চাহপাতৰ পৰা বিদেশী মুদ্ৰা পোৱাৰ কথা জড়িত আছে। সেই কাৰণে এই বিষয়টোত মন্ত্ৰীয়ে স্পষ্ট উত্তৰ দিব লাগে। আন এটা কথা হল আমাৰ চাহ-নীলাম পূৰ্ণ পৰ্য্যায়ৰ হব লাগে। চাহ-নীলাম কেন্দ্ৰ আহমেদাবাদত প্ৰতিষ্ঠা হোৱাৰ কথা উত্থাপন হব নালাগিছিল। মই বিশেষ তথ্য-পাতি দিব নোৱাৰিম। এই চাহ-নীলাম কেন্দ্ৰ উঠাই নিয়াৰ কাৰণে এ, জি, পি চৰকাৰ ধ্বংস হোৱাৰ পিচত ৰাষ্ট্ৰপতিৰ শাসনৰ পৰা চলি আছে। মই সেই সময়ত ব্যক্তিগত ভাৱে সেই সময়ত ৰাজ্যপালৰ উপদেষ্টাৰ লগত এই বিষয়ে আলোচনা কৰিছিলো। এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি

---

★ Speech not corrected.

## Discussion During Zero Hour

আকৰ্ষণ কৰি কব বিচাৰিছো যে চাহ-নীলাম কেন্দ্ৰৰ যিবিলাক টি ব্ৰকাৰ আছিল সেই সকলে কলিকতাৰ পৰা ইনিচিয়েট কৰিছিল। অসমৰ প্ৰতি দৰদ থকা লোকে টি ব্ৰকাৰৰ মেনেজমেণ্টত স্থানীয় লোকক নিয়োগ কৰাৰ ফলত বহু পৰিমাণে চাহপাত বিদেশলৈ ৰপ্তানি কৰিব পাৰিছিল। শেহভীয়া ভাৱে বহু কেইটা কোম্পানীয়ে মেনেজমেণ্টৰ পৰা স্থানীয় লোকক আতঁৰাই বাহিৰৰ পৰা মানুহ জাপি দিছে। এই সংক্ৰান্তত মই এটা প্ৰশ্ন দিছিলো, কিন্তু প্ৰশ্নটো নাহিল। মন্ত্ৰীয়ে বিত্তীয় নাটনিৰ কথা কব পাৰে। আমি প্ৰতি কেজি চাহপাতৰ পৰা যি পইচা পাব লাগে সেই ক্ষেত্ৰত চাহ বাগানৰ মালিক সকলে অসমক অত্যাচাৰ কৰিছে। অসম চৰকাৰক ধূলি মাৰি ফাকি দি আয় কৰি আছে। অসম চৰকাৰে ৰাজহৰ পইচা উলিওৱাৰ ব্যৱস্থা কৰা নাই। আচৰিত কথা যে প্ৰতি কেজিত ১২ পইচাকৈ ধৰিলে চাহ বাগানৰ পৰা ৩ লাখ টকা অসম চৰকাৰক দিব লাগে। গণ পৰিষদ চৰকাৰে এইটো বঢ়াই ৫০ পইচা কৰিছিল। এই ক্ষেত্ৰত চুপ্ৰীম কোৰ্টত কেচ কৰাত বিষয়টো পেণ্ডিং হৈ আছে। এতিয়া ১৯ পইচা কৰাৰ নিগচিয়েচন চলি আছে। অসমৰ বিত্তীয় সংকটৰ সময়ত ১২ পইচাকৈ ধৰিলে প্ৰতিখন বাগানৰ পৰা ৩ লাখ টকাকৈ পাওঁ। গতিকে ৫০ পইচাকৈ ধৰিলে ৭৬৫ খন বাগানৰ পৰা কিমান কোটি টকা পাওঁ হিচাব কৰক। গতিকে ৫০ পইচাকৈ পোৱাটোত গুৰুত্ব দিব লাগে। গতিকে টি চেচ বৃদ্ধি কৰিব লাগে। শ শ বছৰে চাহ বাগানৰ মালিক সকলে চাহপাতৰ পৰা আয় কৰিছে, কিন্তু উন্নয়ণৰ ক্ষেত্ৰত একো কৰা নাই। কৰবাত দুই এটা নামঘৰ, স্কুলৰ টিন দিছে। এশ বছৰলৈ লিজত দিয়া হৈছে, তাৰ বাবে খাজনা ২/৩ টকা দিয়ে। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা নললে অসমৰ ৰাইজৰ কাৰণে বিশ্বাসঘাটকতা হব। এই চেচৰ ক্ষেত্ৰত আপোচ কৰাটো ৰাজহুৱা স্বাৰ্থৰ পৰিপন্থী। মই এটা কথা কব বিচাৰিছো। ১৯৩৯ চনত গোপীনাথ বৰদলৈৰ নেতৃত্ব সম্মিলনিত চৰকাৰ থাকোতে বিত্ত মন্ত্ৰী ফকৰুদ্দিন আলী আহমেদে চাহৰ ওপৰত কৃষি আয়কৰ লগাইছিল। বৃটিচৰ অধীনত থাকোতে যদি কৰ আদায় কৰিব

পাৰে তেন্তে স্বাধীন ভাৰতৰ পটভূমিত কিয় আদায় কৰিব নোৱাৰিব। পৰাধীন অৱস্থাত বৃটিচ চাহ খেতিয়কৰ পৰা চাহৰ ওপৰত কৰ লৈছিল। স্বাধীনতা লাভ কৰাৰ পিচত অসম চৰকাৰ কিয় চাহ বাগানৰ মালিকৰ পকেটত সোমাই থাকে। দিল্লীত কাৰ পৰা পইচা লৈছে কি কৰিছে সেই বিলাক তথ্য আছে। চৰকাৰৰ সিদ্ধান্তলৈ বাটচাই আছে, শেষ পৰ্য্যায়লৈ যুজ দিম। ভূমিকম্প হৈ যাব।

মাননীয় অধ্যক্ষ ঃ ভূমিকম্প হব নালাগে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ ৰাজনৈতিক এৰেনাৰ ভূমিকম্প। চাহ বাগানৰ মালিকৰ বিৰুদ্ধে কলে বহুতে বেয়া পায়। উদ্যোগ মন্ত্ৰী হৃষ্টপুষ্ট মানুহ, ভাবিছিলো চাহ বাগানৰ উন্নতি হব। তেখেত অহা দিনৰ পৰা যি ধ্বংসলৈ গ'ল তেনেকুৱা ধ্বংস পৃথিৱীৰ কোনো দেশত হোৱা নাই। বিজিত শইকীয়াক মই ভাল পাওঁ। কিন্তু উদ্যোগ মন্ত্ৰী হিচাবে একেবাৰে আনফিট। ভাৰতৰ যি চাহপাত ৰপ্তানী হয় তাৰ ৫৫ ভাগ অসমৰ চাহপাত। অধ্যক্ষ মহোদয়, অসমৰ পৰা শতকৰা ৫৫ ভাগ চাহ ভাৰতবৰ্ষলৈ ৰপ্তানী হয়। আমি কনট্ৰিবিউট কৰো। কিন্তু কলিকতাৰ চাহ নিলাম বজাৰৰ টি ব্ৰকাৰ সকলে লৈ যায়, অসমৰ চাহ নিলাম বজাৰৰ ওপৰত অসম চৰকাৰৰ কোনো হাত নাই। কনট্ৰল নাই। ইয়াতো সন্তুষ্ট নহৈ এতিয়া গুজৰাটলৈ উঠাই নিয়াৰ বাবে বিচাৰিছে। চাহ নিলাম বজাৰৰ বাবে গুৱাহাটী এয়াৰ পৰ্টক ইন্টাৰ নেচনেল এয়াৰপৰ্ট হিচাবে ঘোষণা কৰিব পাৰে। মোৰ হাতত বহুতো নথিপত্ৰ আছে। কেন্দ্ৰত শ্ৰীনৰসিংহ ৰাও স্বাস্থ্য মন্ত্ৰী থাকোতেই এই বিষয়ে আলোচনা কৰা হৈছিল। টি ব্ৰকাৰৰ কাৰণে ৰিলিজ কৰিব পাৰে। টি একচন মাৰ্কেট অন্য টি একচন বা মাৰ্কেটৰ লগত প্ৰতিদ্বন্দিতা কৰাৰ বাবে গুৱাহাটী এয়াৰপৰ্টটো ইন্টাৰ নেচনেল্স এয়াৰপৰ্ট কৰিব লাগে। কাৰণ তেওঁলোকে কৈছে যে, ইন্টাৰনেচনেল এয়াৰপৰ্ট নোহোৱাৰ বাবে অসুবিধা হৈছে। ইনলেন্দ ওৱাটাৰ ট্ৰেন্সপোৰ্টৰ কোনো সুবিধা নথকা বাবে অসুবিধা হৈছে। গতিকে চৰকাৰে এই টি অকচন মাৰ্কেটৰ প্ৰতি দৃষ্টি দিব

★ Speech not corrected

লাগে। আৰু টি অকচন চেণ্টাৰৰ ক্ষেত্ৰত কাগজে পত্ৰে যিবিলাক ওলাইছে সেই কথাবিলাক সত্যনে অসত্য এই কথা সদনত স্পষ্ট ভাবে কব লাগে। বাখ্যাবিলাক বিত্তংভাবে সদনত দিবলৈ অনুৰোধ জনাই বক্তব্য সামৰিলো।

☆ শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি চাহ নিলাম সম্পৰ্কত যিটো প্ৰস্তাৱ সদনত উত্থাপন হৈছে সেই সম্পৰ্কত মই দুটামান কথা কব বিচাৰিছো। সমগ্ৰ অসমত ৮৪০ খন চাহ বাগান আছে। এইটোৱে অসমৰ চাহ নিলাম মাৰ্কেটত আঘাত্ত কৰিব পাৰে। ১৯৫৪ চনতে এটা কথা ওলাইছিল যে অসমৰ চাহ শ্ৰীলংকাৰ বাকচৰ ভিতৰত আন্তৰজাতিক বজাৰলৈ পঠোৱাৰ ব্যৱস্থা আছিল। তাৰ পিচত চাহ দিটৰিয়েট হল। তেতিয়া দেখা গল যে এইটো অসমৰ চাহ হবই নেৱাৰে। শ্ৰীলংকা আৰু অসমৰ চাহৰ ৰং একে। এতিয়া চাহৰ নিলাম বজাৰ আহমদাবাদত হল আৰু অসমৰ নিলাম বজাৰ দ্ৰাই হৈছে। ইয়ালৈ কোনো মানুহ আহিবলৈ নিবিচাৰে। কাৰণ ইয়াত কোনো সুবিধা নাই। চাহ নিলাম বজাৰ বিলাক ভাৰতৰ নানা পুজিপতিয়ে কণ্ট্ৰল কৰে তাৰ ওপৰত অসম চৰকাৰৰ কোনো কণ্ট্ৰল নাই। যেতিয়া স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা অসমৰ মুখ্যমন্ত্ৰী আছিল তেতিয়াই গুৱাহাটীত এখন চাহৰ মাৰ্কেট কৰিছিল। আহমদাবাদটো চাহ নিলাম মাৰ্কেট কৰা হল সেইটো আমি বন্ধ কৰিব নোৱাৰো। ওৱেষ্ট বেংগলৰ কোচ বিহাৰৰ চাহ যেতিয়া কলিকতাৰ টি অকচন মাৰ্কেটলৈ যোৱা নাছিল তেতিয়া ওৱেষ্ট বেংগল চৰকাৰে বাধ্যতামুলক ভাবে এক্সট্ৰা চেচইম্প'জ কৰিছিল। তেতিয়া কোচবিহাৰে চাহ ওৱেষ্ট বেংগলৰ মাৰ্কেটত বিক্ৰী কৰাৰ কাৰণে বাধ্য হৈছিল। গতিকে আমাৰ যিটো চাহ উৎপন্ন হয় সেইটো আমাৰ ইয়াতে বিক্ৰী কৰিব লাগে। প্ৰয়োজন হলে নুনন চেচ লগাব লাগে। অসম চৰকাৰে অসমৰ চাহ বাগান সমূহৰ মালিকসকলক অসমৰ টি অকচন মাৰ্কেটত চাহ বিক্ৰী কৰিবলৈ বাধ্য কৰিব লাগে। টাটা, ডুৰ্বাচ আদি কোম্পানী বিলাকে অসমত চাহ বিক্ৰী কৰিবলৈ নিবিচাৰে। তেওঁলোকে ইণ্টাৰনেচনেল মাৰ্কেট কেপচাৰ কৰিছে। কিন্তু অসমৰ চাহেই

★ Speech not corrected

## Discussion During Zero Hour

সকলোতকৈ বেছি ভাল। আমাৰ চাহৰ লগত কাৰো প্ৰতিদ্বন্দ্বিতা চলিব নোৱাৰে। আজি কোচ বিহাৰৰ চাহৰ বাবে ওৱেষ্ট বেংগলে যিটো চেচ ই'ম্পজ কৰিছে সেই ধৰণে অসমতো কৰা হলে ভাল আছিল। মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী দেৱে কৈছে যে অসমৰ গুৱাহাটী এয়াৰপ'ৰ্টটো ইন্টাৰ-নেচনেল এয়াৰপ'ৰ্ট কৰিব লাগে। আমাৰ পূৰ্বৰ এ, জি, পি চৰকাৰে প্ৰতি কেজি কেচা চাহপাতৰ ওপৰত ৫০ পইচা কৰি চেচ লগাইছিল। টি প্ৰদাকচনৰ বাবে টি কোম্পানীৰ হেড কোৱাৰ্টাৰ অসমলৈ আহিব লাগে। তেতিয়াহে অসমৰ উন্নতি হব। অসমত ভাল প্ৰদাকচন হোৱাৰ পিচত স্পট বদলি কৰি আমাক বঞ্চিত কৰা হৈছে। এইটো নোহোৱাৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। কোম্পানী বিলাকে নিজ নিজ বেলেন্স চিট তৈয়াৰ কৰিব। অসমৰ ৮৪০ খন বাগানৰ কেচা চাহৰ ওপৰত ৫০ পইচা কৰি চেচ লগোৱাৰ পিচত প্ৰায় ১৫০ কোটি টকা অসম চৰকাৰে পাব। চাহ পাতত কিবা পোকে ধৰিলে বা ৰোগে ধৰিলে হয়তো আমাৰ উৎপাদন কমিব পাৰে অন্যথাই উৎপাদন কম নহব। আমাৰ অসম চৰকাৰে এতিয়া চেচটো ১৯ পইচালৈ কমাবলৈ বিচাৰিছে। Agricultural Income tax. এইটো কৰা হলে ১২'৫ পইচা হব। ৭৫০ খন বাগানৰ কম হলেও প্ৰায় ৫/৬ লাখ টকা বা এভাৰেজ ৩ লাখ টকা পোৱা হব। যদি ১৮ পইচাকৈ লোৱা হয় তেন্তে অসমতে ৭৫ লাখ টকা হেৰুৱাব লাগিব। এই সম্পৰ্কত মোৰ জিৰ' আৱাৰত এটা প্ৰশ্ন আছিল কিন্তু কৃষি মন্ত্ৰী বাইদেউ তেতিয়া সদনত নাছিল, তেখেত এতিয়াহে আহিছে। (সময়ৰ সংকেট) অধ্যক্ষ মহোদয়, মই শেষ কৰিছো। আহমেদাবাদত যিখন পেৰেৰেল টি অকচন মাৰ্কেট পাতিবলৈ লোৱা হৈছে সেইখন বন্ধ কৰিব নোৱাৰি। পশ্চিমবঙ্গত যি চাহ উৎপাদন হয় তাৰ কাৰণে সেই ৰাজ্যত কৰ দিব লাগে। এতিয়া আমাৰ কথা হৈছে অসমত যি চাহ উৎপাদন হব সেই চাহ হয় অসমতেই বিক্ৰী কৰিব লাগিব নহলে ইয়াৰ পৰা বাহিৰলৈ নিলে অসম চৰকাৰক টেক্স দিব লাগিব। এনে নীতি ফৰমুলেট কৰিব লাগিব। ইয়াকে কৰিব নোৱাৰিলে অসমত টি অকচনৰ

পৰিপ্ৰেক্ষিতত স্থানীয় শিক্ষিত নিবনুৱা লোকে যি ষ্টোৰেজ নিৰ্মাণ কৰিছিল তেওঁলোক খতিগ্ৰস্ত হব লগতে অন্যান্য সৰুসুৰা ব্যৱসায়ীও খতিগ্ৰস্ত হব। গতিকে বিষয়টোৰ ওপৰত চৰকাৰে দৃষ্টি দিব লাগে। ধন্যবাদ।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি গুৱাহাটীৰ চাহ নিলাম কেন্দ্ৰটো পৰ্য্যায়ক্ৰমে বন্ধ কৰাৰ এক অভিসন্ধি কৰা হৈছে। আজি অসমৰ কেইজনমান পাৰমানেণ্ট টি বায়াৰচ আৰু কেইজনমান টি প্ৰডিউচাৰ লগ লাগি গুজৰাট চৰকাৰৰ সহযোগত আহমেদাবাদত এটা পেৰেৰেল টি অকচন চেণ্টাৰ খোলাৰ ব্যৱস্থা কৰিছে অথচ আমাৰ অসম চৰকাৰৰ এই ক্ষেত্ৰত কোনো খবৰ নাই। মই মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন কৰিব খুজিছো সেইটো হৈছে অসমৰ কেইজনমান টি বায়াৰচ আৰু টি প্ৰডিউচাৰ লগ লাগি গুজৰাট চৰকাৰৰ সহযোগত আহমেদাবাদত এটা নতুনকৈ টি অকচন চেণ্টাৰ খোলে তেন্তে আমাৰ চৰকাৰে সেইটো বন্ধ কৰিব পাৰিব নেকি ? মোৰ ধাৰণা আইনগত ভাবে এই কাৰ্য্য আমি বন্ধ কৰিব নোৱাৰো। কিন্তু প্ৰশ্ন হৈছে আজি তেওঁলোক অসমৰ পৰা কিয় তালৈ যাব খুজিছে ? টি প্লেণ্টাৰ শ্ৰীজয়ন্ত বৰুৱাই কৈছে যে আজি অসমত আইন শৃংখলাৰ যি অৱস্থা হৈছে, যি পৰিস্থিতিৰ সৃষ্টি হৈছে সেই কাৰণেই টি প্লেণ্টাৰচ আৰু টি বায়াৰচ সকল ইয়াৰ পৰা যাবলৈ ওলাইছে। মই জনাত টাটা টিয়ে এই ক্ষেত্ৰত আগভাগ লৈছে। অধ্যক্ষ মহোদয়, টাটা টিৰ চিনিয়ৰ একজিকিউটিভ বিষয়া শ্ৰীবলিন বৰদলৈক এই গুৱাহাটীৰ মাজৰ পৰাই উগ্ৰপন্থীয়ে উঠাই লৈ গৈছে। অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ এই কনিষ্ঠ পুত্ৰ জনক অসম চৰকাৰে আজিও ক'ত আছে উলিয়াব পৰা নাই। ওডালগুৰিৰ পৰা শ্ৰীমিটাল নামৰ এজনক লৈ গ'ল কিন্তু তেওঁকো চৰকাৰে উদ্ধাৰ কৰিব পৰা নাই। উগ্ৰ-পন্থীয়ে শ্ৰীজয়ন্ত বৰুৱা আৰু শ্ৰীগগৈকো উঠাই লৈ গৈছিল গতিকে দেখা গৈছে যে চৰকাৰে টি প্ৰডিউচাৰচ আৰু বায়াৰচ সকলক নিৰাপত্তা দিব পৰা নাই, তেওঁলোকক ৰক্ষণাবেক্ষণ দিব পৰা নাই। এইটো কথা স্বীকাৰ কৰাত চৰকাৰৰ আপত্তি নাই যে বৰ্তমান অৱস্থাত বি, এচ, এফ বা আলফাৰ ওচৰত

★ Speech not corrected

## Discussion During Zero Hour

চৰকাৰে চাৰেণ্ডাৰ কৰিছে। আজি অসমত প্ৰচুৰ সংখ্যক মিলিটেৰী লোক আছে। ৰাজ্যখনৰ আইন শৃংখলাৰ সকলো দায়িত্ব মিলিটেৰীৰ ওপৰত ন্যস্ত আছে। ইয়াৰ পিচতো চৰকাৰে শ্ৰীবলিন বৰদলৈক উদ্ধাৰ কৰিব পৰা নাই। এতিয়া টি. অকচন চেণ্টাৰ অসমৰ পৰা উঠাই নিলে আমাৰ তথা ৰাজ্যখনৰ কি কি ক্ষেত্ৰত কিমান লোকচান হব সেই বিষয়ে কেইবাজনো মাননীয় সদস্যই ইয়াত বক্তব্য ৰাখিছে। এতিয়া মোৰ প্ৰশ্ন হৈছে চৰকাৰে আজিলৈকে শ্ৰীবলিন বৰদলৈক উদ্ধাৰ কৰিব পৰা নাই, ইয়াৰ প্ৰতিক্ৰিয়া কি কি হব পাৰে চৰকাৰে সেই বিষয়ে জাননে ? আজি চৰকাৰে শ্ৰীবলিন বৰদলৈকে উদ্ধাৰ কৰিব পৰা নাই তেনে ক্ষেত্ৰত অন্যান্য অসমৰ টি বায়াৰচ আৰু টি প্ৰডিউচাৰ সকলক চৰকাৰে কি নিৰাপত্তা দিব ? কোন দিনা কাক ক'ৰপৰা উঠাই নিব তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে। আজি অসম চৰকাৰে স্পষ্ট ভাবে কব লাগে যে অসমৰ টি প্ৰডিউচাৰ সকলক, টি বায়াৰচ সকলক চৰকাৰে সম্পূৰ্ণ নিৰাপত্তা দিব, সম্পূৰ্ণ ৰক্ষণাবেক্ষণ দিব পাৰিব, ইয়াৰ কাৰণে বাতৰি কাকতত বিবৃতি দিলেই নহব। চৰকাৰে শ্ৰীবলিন বৰদলৈক উদ্ধাৰ কৰি হাতে কামে কাৰ্য্যত দেখুৱাব পাৰিব লাগিব। শ্ৰীমিটালক উদ্ধাৰ কৰি চৰকাৰে দেখুৱাব লাগিব। মই মুখ্য মন্ত্ৰীৰ পৰা জানিব খুজিছো শ্ৰীবলিন বৰদলৈ আৰু শ্ৰীমিটালক উদ্ধাৰৰ কাৰণে কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে ? এইটো চৰকাৰৰ দায়িত্ব নহয় নেকি ? আগতে অ, গ, প চৰকাৰৰ দিনত গুৱাহাটী ৰিফাইনেৰীৰ জেনেৰেল মেনেজাৰ, অনা অসমীয়া বিষয়া শ্ৰীদাসক অপহৰণ কৰোতে কেন্দ্ৰীয় চৰকাৰে এ, জি, পি চৰকাৰক ওৱাৰ্নিং দিছিল যে এসপ্তাহৰ ভিতৰত যদি শ্ৰীদাসক উদ্ধাৰ কৰি দিব নোৱাৰে তেন্তে ৰাজ্য চৰকাৰক ভঙ্গ কৰি দিব বুলি অসমৰ এচাম কংগ্ৰেছ নেতাই দিল্লীক উচটনি দিছিল।

**What is the root cause ? 'Bolin Bordoloi, one of the Senior most executive' ( Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it ) 'What is our Security in Assam ?'**

**Mr. Das does not belong to Assamese community, that is why so much of pressure Mr Bolin Bordoloi belongs to Assamese community.** কিন্তু শ্ৰীবলিন বৰদলৈ অসমীয়া ৰিষয়া হোৱাৰ কাৰণেই আজি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক প্ৰেচাৰ দিয়া নাই নেকি ? আমি এইটো কথা এনেদৰে ভাবিব পাৰোনে নাই ? অসমৰ প্ৰথম প্ৰধানমন্ত্ৰীৰ কণিষ্ঠ পুত্ৰজনক ( শ্ৰীবলিন বৰদলৈ ) উদ্ধাৰ কৰাৰ কাৰণে চৰকাৰে একো ব্যৱস্থা লোৱা নাই । যিহেতু তেওঁ এজন অসমীয়া বিষয়া সেই কাৰণে কেন্দ্ৰীয় চৰকাৰেও তেওঁক উদ্ধাৰৰ কাৰণে অসম চৰকাৰক কোনো হেচা প্ৰয়োগ কৰা নাই । এনে পৰিস্থিতিৰ সুবিধা গ্ৰহণ কৰি টাটা টি আৰু অন্যান্য চাহ ব্যৱসায়ী গোষ্ঠীয়ে তেওঁলোকৰ কাৰ্য্যকলাপ অসমৰ পৰা উঠাই বাহিৰলৈ নিয়াৰ ষড়যন্ত্ৰত লিপ্ত হৈছে । ইয়াৰ কাৰণে অসম চৰকাৰৰ ২/১ জন মন্ত্ৰীও অসমৰ বাহিৰলৈ গৈ আলোচনা কৰিছে বুলি জনা গৈছে চাহ গোষ্ঠীৰ লগত । আজি অসমৰ উদ্যোগ মন্ত্ৰীক 'ভাৰত গৌৰৱ' উপাধি প্ৰদান কৰা হৈছে । কিন্তু অসমৰ এই উদ্যোগ মন্ত্ৰীজনৰ অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত কি কি অৱদান আছে যাৰ কাৰণে তেখেতক এনে উপাধী প্ৰদান কৰা হৈছে সেইটো কিন্তু অসমৰ ৰাইজক জনোৱা হোৱা নাই । এইটো কথা আজি অসমৰ ৰাইজক জনাওঁক তেখেতে কি এনে ডাঙৰ কাম কৰিছে যাৰ বাবে তেখেতক 'ভাৰত গৌৰৱ উপাধি' দিয়া হৈছে ।

উপাধ্যক্ষ মহোদয়, ইমান ডাঙৰ কাম কৰিছে নে যি কাৰণত ভালে কেইটা উপাধি দিব লগা হল ? ডাঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ, ফকৰুদ্দিন আলী আহমেদ, জৱাহৰলাল নেহৰু, হেম বৰুৱাইও ইমান ডাঙৰ উপাধি পোৱা নাছিল । তেখেতে 'ভাৰত গৌৰৱ' উপাধি পোৱাৰ পিচত যে কেতবোৰ অসম বিৰোধী বৃহত্তৰ পুজিপতি নাই আমি কি সন্দেহ নকৰিম । বৰ্ত্তমান এই অৱস্থাত উদ্যোগ বিভাগে কি কৰিছে কি কৰা নাই তাক বিতং আলোচনা কৰিম । সেই কাৰণে আমি ভৎসনা প্ৰস্তাৱ আনিছো । বলীন বৰদলৈ, মিত্তালকে আদি কৰি পণবন্দী সকলৰ চৰকাৰে কি ব্যৱস্থা লৈছে এই বিষয়ে অবগত কৰক ।

## Discussion During Zero Hour

★ শ্ৰীনগেন শৰ্মা : মাননীয় উপাধ্যক্ষ মহোদয়, অসমত থকা চাহ নিলাম কেন্দ্ৰ আহমদাবাদলৈ উঠাই নিয়াৰ ক্ষেত্ৰত নিশ্চয় ষড়যন্ত্ৰ আছে এই কথা আমি উপলব্ধি কৰিছো। গুৱাহাটী পৃথিবীৰ ভিতৰতে বৃহৎ চাহ নিলাম কেন্দ্ৰ। ইয়াত চি, টি, চি, চাহ বিক্ৰী কৰা হয়, অসমত অৰ্থদক্ষ চাহ নিলাম হোৱা নাই। অৰ্থদক্ষ টি কিয় অসমত নিলাম নহয়, মূল কাৰণ হৈছে ইয়াত বায়াৰ্চ নাই, যিসকল বৃহত্তৰ পুঁজিপতি ভাৰতবৰ্ষৰ বাহিৰৰ পৰা আহিছে সেইসকল ৰাচিয়ান বায়াৰ্চ। ৰাচিয়াৰ বায়াৰ্চ অসমলৈ নাহে। ইয়াৰ ৰাজনৈতিক কাৰণ আছে। ৰাচিয়া ভাগ ভাগ হৈ যোৱাৰ পিচত ৰাজনৈতিক পৰিস্থিতিৰ কাৰণে বিপদৰ সন্মুখীন হৈছে। সেয়ে অৰ্থদক্ষ চাহ ইয়াত নিলাম নহয়। চি, টি, চি, ৰ বায়াৰ্চ বিলাক মিডল ইষ্টৰ পৰা আহে। অসমত ভয় কৰাৰ কাৰণে অসমত নিলাম নহয়, আহমদাবাদত চাহ নিলাম কেন্দ্ৰ কৰিব বিচাৰিছে। কিন্তু তাত চাহবাগান নাই। এই চাহ নিলাম কেন্দ্ৰ চাহবাগান থকা ঠাইৰ পৰা চাৰি হেজাৰ মাইল দূৰলৈ উঠাই নিবলৈ বিচৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই কৈছে যে টাটা টি লিমিটেডে অসমৰ ব্ৰোকাৰক লাভ দিব নিবিচাৰে কাৰণে আৰু অসমকো কোনো ধৰণৰ লাভ দিব নোখোজে, সেই কাৰণে চাহ নিলাম কেন্দ্ৰ উঠাই নিব বিচাৰিছে। টাটা টি লিমিটেডে এক কেজিও অৰ্থদক্ষ টি ইয়াত নিলাম নকৰি চি, টি, চি টিৰ নিলাম কেন্দ্ৰটো বাহিৰলৈ নিয়াৰ ষড়যন্ত্ৰ চলাইছে। অসমত ৭৫২ খন চাহবাগিচা আছে। অসমৰ চাহ যদি অসমত নিলাম কেন্দ্ৰ পাতি বিক্ৰী কৰা নহয় তেতিয়া হলে এই বিষয়ত ৰাজনৈতিক ভাবে চিন্তা-চৰ্চা কৰিব লাগিব। প্ৰয়োজন হলে সকলো এড-মিনিষ্ট্ৰেটিভ পাৱাৰ কাঢ়ি লব লাগিব। এই ক্ষেত্ৰত অসমৰ ৰাইজে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বলীন বৰদলৈৰ কেচটোকে ষড়যন্ত্ৰ কৰি টাটা টি কোম্পানীয়ে উঠাই নিয়াত লিপ্ত হৈছে। ইয়াত টাটা টি আৰু অসম চৰকাৰ জড়িত হৈ আছে। পোন পতীয়াকৈ ইয়াত দুয়োটা পক্ষই জড়িত। এখন চাহ নিলাম কেন্দ্ৰ হবলৈ হলে ইন ফ্ৰাচট্ৰাকচাৰ লাগে। সেই বিলাকৰ

★ Speech not corrected.

## Discussion During Zero Hour

ভিতৰত ইন্টাৰনেশ্বনেল এয়াৰ পোৰ্ট লাগে, হোটেল লাগে, ড্ৰাইপোৰ্ট লাগে, বৰ্ত্তমান আমাৰ ইয়াত ড্ৰাইপোৰ্ট এটা স্কেলিটনহে আছে, তাক শক্তিশালী কৰিব লাগে। ইনলেণ্ড ওৱাটাৰ ট্ৰেন্সপোৰ্টক সুবিধা দিব পৰা নাই, আন্তৰজাতিক বজাৰৰ সুবিধা দিব পৰা নাই। পৰিবহনৰ অসুবিধা দেখুৱাই চাহ নিলাম কেন্দ্ৰ অসমৰ পৰা উঠাই নিবলৈ বিচাৰিছে। এইটো যদি কৰা হয় তেতিয়া হলে অসমে প্ৰয়োজন হলে টেক্স লগাব লাগিব। প্ৰয়োজন হলে এক কেজি চাহত দুই তিনি টকা টেক্স লগাব লাগিব। যাতে অসমৰ চাহ বাহিৰলৈ যাব নোৱাৰে। তাৰ ব্যৱস্থা কৰিব লাগিব। যত উৎপাদন হয় তাত এটা পাৰচেণ্ট লগাব লাগিব, যদি এই ধৰণে কৰ লগোৱা হয় অসমত নিলাম কেন্দ্ৰ কৰিবলৈ বাধ্য হ'ব। আমি এইটো কৰিব লাগিব। তেতিয়াহে অসমৰ উন্নতি হব, উদাহৰণ স্বৰূপে মই পশ্চিমবঙ্গৰ কোচবিহাৰৰ কথা কবলৈ ওলাইছো। তাত ৩৯ খন কলেজ চাহ বাগিছাই চলাই আছে। কিন্তু অসমত তেনেকৈ কৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰ আৰু পুঁজিপতি গোষ্ঠীৰ বিৰুদ্ধে আমি একগোট হব লাগিব। আমি ৰাজনৈতিক ভাবে হয়তো পৃথক হব পাৰো, কিন্তু অসমৰ স্বাৰ্থৰ কাৰণে আমি একগোট হৈ কাম কৰিব লাগিব। এইটো অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

★ শ্ৰীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনত বৰ্ত্তমান যিটো বিষয়ৰ ওপৰত আলোচনা হৈ আছে তাৰ গুৰুত্ব উপলব্ধি কৰি আপোনাৰ জৰিয়তে মই চৰকাৰৰ লগতে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছো। আমাৰ সমগ্ৰ অসমৰ জনসাধাৰণৰ বাবে এই বিষয়টোৰ ওপৰত বা এই বিষয়টো এটা মৰ্য্যাদাৰ বিষয় হৈছে বুলি মই অনুমান কৰিছো। বৰ্ত্তমান অসমৰ মন্ত্ৰী সভাক আমাৰ বক্তব্যৰ মাজেদি প্ৰথমতে মই অনুৰোধ কৰিব বিচাৰিছো যে যি কোনো কাৰণত অসমৰ চাহ শিল্পৰ যিটো ভেটি দুৰ্ব্বল কৰিছে তাক পতিহত কৰিবৰ হ'ল। এই ষড়যন্ত্ৰ যাতে বিস্তাৰিত হব নোৱাৰে তাৰ বাবে অসমৰ মন্ত্ৰী সভাই গুৰুত্বপূৰ্ণ ভূমিকা লোৱাটো বাঞ্চনীয়। মই দেখিছো ভাৰতবৰ্ষৰ মুঠ চাহৰ ৫০ শতাংশ অসমৰ পৰা উৎপন্ন হয়। অন্যান্য ঠাইত

★ Speech not corrected.

বাকী ৫০ শতাংশ হয়। ঐতিয়া দেখা যায় যে বি বি কাৰণত আহমদাবাদৰ চাহ নিলাম কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ কৰিব বিচাৰিছে। এই সম্পৰ্কে বৰ্তমান সময়ত আমাৰ ৰাজ্যখন যে লাভৱান হব কেতিয়াও ভাবিব পৰা নাই। ইয়াৰ ভিতৰত ষড়যন্ত্ৰ আছে বুলি অনুমান কৰিব পাৰি। অসমৰ সদস্য উপস্থিত থকা বিভিন্ন ৰাজনৈতিক দলৰ বিভিন্ন ৰাজনৈতিক চিন্তাধাৰা থাকিলেও মই অনুৰোধ জনাম যে এই বিষয়টোৰ ওপৰত এটা সৰ্ববসম্মত সিদ্ধান্ত লব লাগে, ইয়াৰ ব্যৱস্থা লব লাগে। যিকোনো কাৰণতে নহওঁক আমাৰ গুৱাহাটী চাহ নিলাম কেন্দ্ৰক দুৰ্বল কৰাৰ কাৰণে আহমদাবাদলৈ নিয়াৰ যে প্ৰস্তাৱ কৰিছে এই সম্পৰ্কে এটা সবল সিদ্ধান্ত লব লাগে। যি কোনো কাৰণতে অসমৰ এই নিলাম কেন্দ্ৰটো উঠাই নিনি যাতে গুৱাহাটীতে থাকে তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে যদি আইন কানুনবো প্ৰয়োজন চৰকাৰে ব্যৱস্থা কৰিব লাগে। প্ৰয়োজন হলে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। দেখা গৈছে যে বৰ্তমান মন্ত্ৰী সভাই যোৱা ২ টা বছৰত কোনো ডাঙৰ সিদ্ধান্ত লব পৰা নাই। কিন্তু অসমত অ, গ, প, চৰকাৰৰ দিনত ৯০ শতাংশ গ্ৰাণ্ট আৰু ১০ শতাংশ লোন চৰকাৰৰ পৰা পোৱাৰ ব্যৱস্থা কৰিছিল। অসমৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে অসমৰ চাহ যাতে বাহিৰলৈ নিব নোৱাৰে তাৰ বাবে এটা সৰ্বসন্মত সিদ্ধান্ত লওঁক, অসমৰ চাহ শিল্প যাতে কোনো পুঁজিপতি গোষ্ঠীয়ে ষড়যন্ত্ৰৰে নিয়াৰ ব্যৱস্থা কৰি অসমৰ ভৱিষ্যত অন্ধকাৰ কৰিব নোৱাৰে তাৰ বাবে অসমৰ মন্ত্ৰী সভাই এটা সিদ্ধান্ত লওঁক, এইটো মই আহ্বান জনাইছো। এই সন্দৰ্ভত যিসকলে বক্তব্য ৰাখিছে তেখেতসকলকো মই সমৰ্থন জনাইছো।

উপাধ্যক্ষ মহোদয়, মই এটা কথা দৃষ্টিগোচৰ কৰিব খুজিছো যেতিয়া অসমত অ, গ, প, দলৰ চৰকাৰ চলিছিল তেতিয়া কেন্দ্ৰৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়া আছিল। ১৯৯০ চনৰ নবেম্বৰ মাহৰ ২৭ তাৰিখে আইন-শৃংখলা জনিত কাৰণত অসমত ৰাষ্ট্ৰপতি শাসন ঘোষণা কৰা হৈছিল। যদি এইটোৱে কাৰণ হয় আহমদাবাদৰ আইন-শৃংখলাৰ অৱস্থা ভাল নহয় তেতিয়া হলে তালৈ কিয় নিব বিচাৰিছে। যদি নিয়া হয় ইয়াৰ কাৰণে অসম মন্ত্ৰী সভা

জগৰীয়া নহবনে ? সেই কাৰণে মই আজি আপোনাৰ জৰিয়তে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছো যাতে চাহ নিলাম কেন্দ্ৰটো আহমদাবাদলৈ নিয়া নহয় তাৰ বাবে বলিষ্ঠ পদক্ষেপ লব লাগে। এইটো 'চেঞ্চৰ-মোচনত ডিচকাচ' কৰিব। যোৱা এপ্ৰিল মাহতে এই কথা কৈছিলো যে কেন্দ্ৰত আৰু অসমতো আই কংগ্ৰেছ চলি আছে। এই কথাটো প্ৰমাণ হৈছে। অসমৰ অৰ্থনৈতিক সম্পৰ্কে অসম মন্ত্ৰী সভাই দিল্লীত গৈ ভালকৈ বুজাব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, চাহ নিলাম কেন্দ্ৰটো যাতে আহমদাবাদলৈ স্থানান্তৰ কৰিব নোৱাৰে তাৰ প্ৰতি উদ্যোগ মন্ত্ৰীক দৃষ্টি নিক্ষেপ কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

Mr. Deputy Speaker : Now, Minister, Industries.

☆ শ্ৰীবিজিৎ শইকীয়া (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া আৰু তেখেতৰ লগত কেইগৰাকীমান সদস্যই গুৱাহাটী চাহ নিলাম কেন্দ্ৰক লৈ যি আলোচনা কৰিছে তাৰ পৰি-পেক্ষিতত মই এইটো কব খুজিছো যে কিছুমান চাহ ব্যৱসায়ীয়ে গুজৰাটৰ আহমদাবাদত চাহ নিলাম কেন্দ্ৰ খুলিবলৈ আগ বাঢ়িছে। এই বিষয়ে মই খা-খবৰ কৰি গম পাইছো। এই ক্ষেত্ৰত গুজৰাট চৰকাৰে যথেষ্ট অৰিহণা যোগাইছে, এই কাৰণে যে তাত যদি চাহ নিলাম কেন্দ্ৰ স্থাপন কৰিব পৰা যায় তেতিয়া হলে গুজৰাট চৰকাৰে টেক্স ধৰে। বৰ্ত্তমান যি ১২ শতাংশ টেক্স আছে তেতিয়া প্ৰতি কেজি চাহৰ মূল্য ৬০ টকাৰ পৰা ৭০ টকা হয়। যদি গুজৰাট চৰকাৰেও টেক্স লগায় তেতিয়া হলে সেই চাহৰ মূল্য প্ৰতি কেজিত ১০০ টকাৰ পৰা ১১০ টকালৈ হব। আৰু গুজৰাট চৰকাৰে ইতিমধ্যে যত্ন কৰিছে যাতে তেওঁলোকে ভবিষ্যতে চাহখেতি কৰিব আৰু তাৰ আগে আগে চাহ নিলাম কেন্দ্ৰটো স্থাপন কৰিব। আৰু এইটোৱে গুজৰাট চৰকাৰক সহায় কৰিব। যদি গুজৰাটত এই চাহ নিলাম কেন্দ্ৰ স্থাপন হয় তেতিয়া হলে তাত ৫০ ৰ পৰা ৫৫ মিলিয়ন কেজি চাহ হয়। অসমত

★ Speech not corrected.

৩৮৮ মিলিয়ন কেজি চাহ হয়। গুৱাহাটী চাহ নিলাম কেন্দ্ৰই নিলামৰ সময়ত শতকৰা ২ ভাগ লাভ কৰে আৰু অসম চৰকাৰে প্ৰতি বছৰে ১০ পৰা ১২ কোটি টকা চেলটেক্স পায়। এই বিষয়ে মই গম পাইছো আৰু টি বোৰ্ডৰ লগত যোগাযোগ কৰিছো। তেওঁলোকক জনাইছো। টি অক্চন কৰিবলৈ হলে টি বোৰ্ডত ৰেজিষ্ট্ৰেচন কৰিব লাগে। তেওঁলোকে এতিয়াও ৰেজিষ্ট্ৰেচন কৰা নাই। এনেকুৱা চৰকাৰে দিল্লীত চাহ নিলাম কেন্দ্ৰ স্থাপন কৰিছিল। তেওঁলোকক ৰেজিষ্ট্ৰেচন দিয়া নাছিল। সেই কেন্দ্ৰটো ভালদৰে নচলাৰ কাৰণে গুজৰাট আহমদাবাদত চাহ নিলাম কেন্দ্ৰ স্থাপন কৰিবলৈ চেষ্টা কৰিছে। বৰ্তমান যদি আমাৰ টি বোৰ্ডে ৰেজিষ্ট্ৰেচন নিদিয়ে তেতিয়া হলে তেওঁলোকে চাহ নিলাম কৰিব নোৱাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমালী ডাঙৰীয়াই যি প্ৰস্তাৱ ডাঙি ধৰিছে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক বিশেষকৈ কমাৰ্চ মিনিষ্টাৰক যোৰ দিব পাৰি যাতে অসমত চাহ নিলাম কেন্দ্ৰ দুৰ্বল অৱস্থা নহয় তাৰ কাৰণে ভাৰত চৰকাৰে সহায় কৰিব লাগে। এইটো উপযুক্ত প্ৰস্তাৱ হব। যদি এই চাহ নিলাম কেন্দ্ৰটো দুৰ্বল হৈ পৰে তেতিয়া হলে অসমৰ ৩০০০ কৰ্মচাৰী কৰ্মহীন হৈ নিবনুৱা হব।

(Mr. Speaker occupied the Chair)

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ ফালৰ পৰা চাহ নিলাম কেন্দ্ৰত কেনেকৈ বাহিৰৰ ব্ৰোকা বিলাকক বিশেষ সুবিধা আদি দিব পাৰি তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে। টি ব্ৰোকাৰ সকলৰ লগত যোগাযোগ চলিআছে। আমাৰ চাহ নিলাম কেন্দ্ৰকলৈ যিবোৰ পন্যাগাৰ প্ৰতিস্থা হৈছিল। সেই পন্যাগাৰ বিলাকৰ ভৱিষ্যতো ইয়াৰ ফলত বেয়াৰ পথলৈ যাব। সেয়ে আমি চৰকাৰৰ ফালৰ পৰা অতি শীঘ্ৰে বিভিন্ন ব্ৰোকাৰ আৰু অন্যান্য চাহ খেতিয়ক সকলক লৈ এটা আলোচনা কৰিম আৰু ইতিমধ্যে যোৱা পৰহি এই বিষয়ে আলোচনা কৰিছোৱেই আৰু তেওঁলোকৰ লগত আলোচনা কৰি গুৱাহাটী চাহ নিলাম কেন্দ্ৰটো কেনেকৈ সৱল কৰিব পৰা যায় তাৰ বাবে চিন্তাচৰ্চা কৰা হৈছে। মাননীয় সদস্য শ্ৰীপাটোৱাৰীয়ে যিটো আৰ, এ, পিৰ কথা কৈছে, সেই বিষয়ত ভাৰত

চৰকাৰিৰ পৰ্য্যটন বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। তাৰোপৰি প্ৰধান মন্ত্ৰী, গৃহমন্ত্ৰী, বিত্তমন্ত্ৰী আদিৰ লগতো যোগাযোগ কৰি থকা হৈছে। আৰ, এ, পিৰ ব্যৱস্থা হোৱাৰ লগে লগেই গুৱাহাটী নিলাম কেন্দ্ৰটো সবল কৰাত সুচল হৈ পৰিব। আহমদাবাদত এই চাহ নিলাম কেন্দ্ৰটো স্থাপন কৰিব পাৰিলে, গুজৰাট, মধ্যপ্ৰদেশ ৰাজস্থানক এই কেন্দ্ৰটোৱে যথেষ্ট সহায় কৰিব পাৰে, কাৰণ লোকেচনটো ইয়াৰ কাৰণে যথেষ্ট ভাল হৈ পৰিব, সেই কাৰণে তেওঁলোকে চেষ্টা কৰি আছে আৰু এই চেষ্টা যাতে সফল নহয় তাৰ বাবে আমি ব্যৱস্থা লম।

★ শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বলীন বৰদলৈৰ কথা একো নকলেই দেখোন ?

মাননীয় অধ্যক্ষ : এইটো উত্তৰ তেখেতে দিব নোৱাৰিব।

☆ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এটা কথা স্পষ্ট হৈ পৰিল যে চাহ নিলাম কেন্দ্ৰটো ইয়াৰ পৰা উঠাই লৈ গৈ আহমদাবাদত পাতিব খোজা কথাটো মন্ত্ৰী মহোদয়ে সদনত স্বীকাৰ কৰিছেই। মন্ত্ৰী মহোদয়ে স্পষ্টকৈ কব লাগে এই কেন্দ্ৰটো ইয়াৰ পৰা উঠাই নিব নোৱাৰে। মন্ত্ৰী মহোদয়ে উত্তৰত এটা কথা কৈছে যে, চাহ নিলাম কেন্দ্ৰটো আহমদাবাদত পাতিব খোজাৰ কাৰণ হ'ল, গুজৰাটৰ বিভিন্ন ঠাইত চাহখেতি হোৱাৰ সম্ভাৱনা আছে। আমাৰ ইয়াত ১০০ বছৰৰ পৰা চাহখেতি কৰি থকা হৈছে আৰু ইয়াৰ পৰা চাহ নিলাম কেন্দ্ৰটো উঠাই নি অকল চাহখেতি হোৱাৰ সম্ভাৱনাৰ কাৰণে এই কেন্দ্ৰটো উঠাই নিবলৈ বিচৰা হৈছে। আমাৰ মন্ত্ৰী মহোদয়ে স্পষ্টকৈ কৈ দিব লাগে যে এই চাহ নিলাম কেন্দ্ৰটো ইয়াৰ পৰা যাবলৈ দিয়া নহয়। যদি ইয়াৰ বাবে সৰ্বদলীয় সভা আদিও পাতিব লগা হয় তেন্তে মন্ত্ৰী মহোদয়ে কওক বা যদি সৰ্ব্বদলীয় দল পঠাব লগা হয় প্ৰস্তাৱ দিয়ক। আমাৰ ফালৰ পৰা সকলো সহায় পাব। আমাৰ মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে যিটো প্ৰস্তাৱ দিছে, প্ৰয়োজন হলে সেইটো পাচ কৰি লওক। আৰু চাহ বোৰ্ডক এটা প্ৰটেষ্ট নটিচ দিয়ক।

---

★ Speech not corrected

## Discussion During Zero Hour

☆ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰটেষ্ট নটিচ দি চাহ বোৰ্ডলৈ চিঠি লিখিছেনেকি ?

★ শ্ৰীবিজিৎ শইকীয়া ( উদ্যোগ মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, আমি এতিয়াও প্ৰটেষ্ট নটিচ দি চিঠি লিখা নাই। কিন্তু খবৰটো শুনি টি বোৰ্ডৰ চেয়াৰমেনৰ লগত মই টেলিফোনত কথা পাতিছো। আৰু মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীৰ প্ৰশ্নৰ উত্তৰত কওঁ যে, চাহ নিলাম কেন্দ্ৰটো ইয়াৰ পৰা উঠাই লৈ যোৱাৰ প্ৰশ্ন নুঠে। আজি এই গুৱাহাটী চাহ নিলাম কেন্দ্ৰত ১৫০ মিলিয়ন কেজি চাহ বিক্ৰী হয়। এতিয়া এইটো কমাই আনি লাহে লাহে এই কেন্দ্ৰটো নোহোৱা ( Natural Death ) কৰিব বিচৰা হৈছে।

★ Shri Hitendra Nath Goswami : Mr. Speaker Sir as I have raised the matter, I should be allowed to speak.

Mr. Speaker : Those who raise a matter they should get the chance first to Speak. This is my submission.

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয়, এটা কথা স্পষ্ট হলে ভাল হয়। আমাৰ নিলাম কেন্দ্ৰত বাহিৰতকৈ চাহৰ মূল্য কম হয়। সেই বাবে চৰকাৰে 'বায়াৰচ' আৰু 'ব্ৰোকাৰচ' বিলাকৰ লগত আলোচনা কৰি টেক্স ইমপোজ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু এটা সিদ্ধান্তলৈ আহিব লাগে।

